আসাম সাহিত্য সভা
পুথিভঁৰাল।
তাৰিখ...
নং

# গো-চিকিৎসা

কামৰূপান্তৰ্গত বৰপালা গ্রামস্থ

পণ্ডিতপ্রবৰ শ্রীৰূপেশ্বৰ স্মৃতিৰত্ন ভট্টাচাৰ্য্য

কর্তৃক প্রণীত এবং সংশোধিত

ও

প্রকাশিত।

প্রথম সংস্কৰণ।

৩০৩৭/বি:
৮.৩.৯৯

একমাত্র এজেণ্ট :—

লক্ষ্মীগোপাল এজেন্সী,

পোঃ আঠঘৰিয়া ( আসাম )।

১৩২৫।

মূল্য ।॰ আট আনা।

৩০৩৭/বি:
৫.৩.৯৯

# গো-চিকিৎসা।

আসাম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ... নং

দশকৰ্ম্ম দৰ্পণ প্ৰেতকৃত্য দৰ্পণ, সংস্কৃত শিক্ষা, কৃষিশিক্ষা,

শিশু চিকিৎসা, স্ত্ৰী-চিকিৎসা, প্ৰভৃতি গ্ৰন্থ প্ৰণেতা

পণ্ডিতপ্ৰবৰ

## শ্ৰীৰূপেশ্বৰ স্মৃতিৰত্ন ভট্টাচাৰ্য্য প্ৰণীত

সংশোধিত প্ৰকাশিত।

প্ৰথম সংস্কৰণ।

কলিকাতা,

৩৮।২ নং ভবানীচৰণ দত্তেৰ ষ্ট্ৰীট, বঙ্গবাসী প্ৰেসে

শ্ৰীনটবৰ চক্ৰবৰ্ত্তী দ্বাৰা মুদ্ৰিত।

১৩২৫।

মূল্য ॥০ আট আনা

# জাননী।

মানুহ বিলাক যেনেকৈ ঈশ্বৰৰ দ্বাৰা সৃজিত আৰু ঈশ্বৰৰ কাৰ্য্যত নিযুক্ত, গৰু বিলাকো সেই দৰে ঈশ্বৰৰ দ্বাৰা সৃজিত আৰু ঈশ্বৰৰ কাৰ্য্যত নিযুক্ত। মানুহৰ শৰীৰত যেনেকৈ সুখ দুঃখ অনুভৱ কৰিবৰ শক্তি আছে গৰুৰো থিক তেনেকুৱা। মানুহৰ শৰীৰত যিমান ৰোগ ওপজে গৰুৰ শৰীৰতো তিমান ওপজে। কিন্তু মানুহৰ ৰোগ চিকিৎসাৰ নানা ৰকম পুস্তক দেশে দেশে নানা ভাষাত ওলাইছে। দুঃখৰ বিষয় গৰু-চিকিৎসাৰ কোনো ৰকম পুথি অসমীয়া ভাষাত সুবিধা দেখিবলৈ পোৱা নাযায়। ভাবি চালে গৰু জগতৰ সকলো প্ৰাণীৰে উপকাৰী। এই বিষয় এই পুথিৰ আৰম্ভতে বিশেষভাবে কোৱা আছে। আজিকালি আমাৰ দেশত গৰু-চিকিৎসকৰ আদৰ নাই আৰু আৰ্জ্জনো নাই গতিকে গৰু-চিকিৎসকৰ সংখ্যা দিনে দিনে কমি আহিছে। গৰুৰ ৰোগ হলে ওজাও নাই আৰু ঔষধো পোৱা নাযায়, গতিকে গৰুবোৰ নানা ৰোগত অকালতে মৰি যায়। তথাপি সমৰ্থবান মানুহে তাৰ প্ৰতিকাৰৰ কোনো যত্ন নকৰে। এইটো বাস্তবিকে দুঃখ লগা কথা।

মই অতি সামান্য প্ৰাণী সমৰ্থও নাই তথাপি সেই জীৱন-দাতা গৰুবোৰৰ অকাল মৰণৰ পৰা মুক্তি পাবৰ কাৰণে বহু পৰিশ্ৰম কৰি “গো-চিকিৎসা” নামে এই ক্ষুদ্ৰ পুথিখনি সংগ্ৰহ কৰিলো এই পুথিখন দেখি মানুহ বিলাকে গৰুবোৰৰ ৰোগ নিৰ্ণয় কৰি চিকিৎসা কৰিলে মোৰ পৰিশ্ৰম সাৰ্থক হব। ইতি

বৰশালা।
কামৰূপ।

গ্ৰন্থকাৰ
শ্ৰীৰূপেশ্বৰ স্মৃতিৰত্ন।

# সূচীপত্ৰ।


| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| **প্ৰথম অধ্যায়।** | | | |
| গোপালন | ... | ... | ১ |
| গো দোহন | ... | ... | ৯ |
| গাখীৰ অধিক হোৱাৰ উপায় | ... | ... | ১০ |
| গাখীৰতী গাইৰ লক্ষণ | ... | ... | ১১ |
| গাই গৰ্ভিনী নহলে উপায় | ... | ... | ১১ |
| গাখীৰৰ গুন | ... | ... | ১২ |
| গাখীৰ কাজীয়ান হোৱাকৈ ৰাখাৰ উপায় | | ... | ১৩ |
| গাখীৰত উদ্ভব বস্তুৰ গুন | ... | ... | ১৩ |
| মাখন | ... | ... | ১৪ |
| দৈ গাখীৰ | ... | ... | ১৪ |
| ছানা | ... | ... | ১৫ |
| ক্ষীৰ | ... | ... | ১৫ |
| ঘিউ | ... | ... | ১৫ |
| গোয়ালি ঘৰ নিৰ্ম্মাণ | ... | ... | ১৬ |
| চিকিৎসা প্ৰণালী | ... | ... | ১ |

# সূচীপত্ৰ।

বিষয় পৃষ্ঠা

## প্ৰথম অধ্যায়।


| | | | |
|---|---|---|---|
| গোপালন | ... | ... | ১ |
| গো দোহন | ... | ... | ৯ |
| গাখীৰ অধিক হোৱাৰ উপায় | ... | ... | ১০ |
| গাখীৰতী গাইৰ লক্ষণ | ... | ... | ১১ |
| গাই গৰ্ভিনী নহলে উপায় | ... | ... | ১১ |
| গাখীৰৰ গুণ | ... | ... | ১২ |
| গাখীৰ কাজীয়ান হোৱাকৈ ৰাখাৰ উপায় | | ... | ১৩ |
| গাখীৰত উদ্ভব বস্তুৰ গুণ | ... | ... | ১৩ |
| মাখন | ... | ... | ১৪ |
| দৈ গাখীৰ | ... | ... | ১৪ |
| ছানা | ... | ... | ১৫ |
| ক্ষীৰ | ... | ... | ১৫ |
| ঘিউ | ... | ... | ১ |
| গোৱালি ঘৰ নিৰ্ম্মাণ | ... | ... | ১ |
| চিকিৎসা প্ৰণালী | ... | ... | ১ |

| বিষয় | পৃষ্ঠা |
|---|---|
| ঔষধৰ মাত্ৰা নিৰূপণ ... ... | ১৮ |
| ঔষধ সেৱন বিধি ... ... | ১৮ |


## দ্বিতীয় অধ্যায়।


| | |
|---|---|
| হাচি ও কাস ৰোগ চিকিৎসা ... ... | ১৯ |
| ফিকাৰোগ চিকিৎসা ... ... | ২০ |
| পেট ফিকা ... ... | ২১ |
| পেটৰ কামোৰ ... ... | ২১ |
| তলপেট ফিকা ... ... | ২২ |
| গ্ৰহণী ৰোগ ... ... | ২৩ |
| ৰক্তামাশয় ... ... | ২৫ |
| নূটি ৰোগ ... ... | ২৬ |
| আঘাত লাগা ... ... | ২৬ |
| ঘুটীৰোগ অন্যপ্ৰকাৰ ঘুটী ... ... | ২৬ |
| গাঠীয়া বাত ... ... | ২৭ |
| বাতবিহ ... ... | ২৮ |
| চাৰ ভোকোলা ... ... | ২৮ |
| জিনা ভোকোলা ... ... | ২৯ |
| ঢাকা ভোকোলা ... ... | ২৯ |
| খোৰা ভোকোলা ... ... | ৩০ |
| চৌবাড়ি ভোকোলা ... ... | ৩০ |

| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| গুথুনা ভোকোলা | ... | ... | ৩১ |
| হিহেনীয়া ভোকোলা | ... | ... | ৩১ |
| গুইয়া ভোকোলা | ... | ... | ৩১ |
| ভোহঘেনা | ... | ... | ৩২ |
| খুৰকান্দা | ... | ... | ৩২ |
| জখিনিকান্দা | ... | ... | ৩২ |
| খোৰাকান্দা | ... | ... | ৩৩ |
| ভালুকা | ... | ... | ৩৩ |
| ৰেঙ্গাৰোগ | ... | ... | ৩৩ |
| পোকা মাৰা ঔষধ | ... | ... | ৩৪ |
| লেজ ও কান চিঙা | ... | ... | ৩৫ |
| ৰক্তমূত্ৰ | ... | ... | ৩৫ |
| গলফুলা | ... | ... | ৩৭ |
| বসন্ত ৰোগ | ... | ... | ৩৮ |
| চিকিৎসা | ... | ... | ৪০ |
| প্লেগৰোগ | ... | ... | ৪২ |
| নাৰেঙ্গা ৰোগ | ... | ... | ৪৪ |
| ঘুৰঘুৰে পোকা দংশন | ... | ... | ৪৪ |
| প্লীহাৰোগ | ... | ... | ৪৫ |
| অকনি ৰোগ | ... | ... | ৪৫ |
| চিকৰাখে ধৰা | ... | ... | ৪৬ |
| সৰ্প খোলস ভক্ষন | ... | ... | ৪৬ |
| বোৰা পোকা দংশন | ... | ... | ৪৬ |

| বিষয় | পৃষ্ঠা |
|---|---|
| আঠালু ৰোগ ... ... | ৪৭ |
| ঠনকা ৰোগ ... ... | ৪৭ |
| কাঁধ ফিকা ... ... | ৪৭ |
| প্রসব দ্বাৰ ফাটা ... ... | ৪৭ |
| প্রসব বিধি ... ... | ৪৮ |
| প্রসব বিলম্বৰ চিকিৎসা ... ... | ৪৮ |
| মন্ত্র চিকিৎসা ... ... | ৪৮ |
| ফুল পৰাৰ ঔষধ ... ... | ৪৯ |
| প্রমেহ ৰোগ ... ... | ৪৯ |
| সিমলা ৰোগ ... ... | ৫০ |
| অন্যপ্রকাৰ সিমলা ৰোগ ... ... | ৫২ |
| ঘেনা ... ... | ৫৩ |
| বাটৰ ঘা ... ... | ৫৩ |
| শিঙ ভাঙা ... ... | ৫৪ |
| শিঙ পোকা ... ... | ৫৪ |
| কৃমিৰোগ ... ... | ৫৪ |
| অগ্নিদগ্ধ চিকিৎসা ... ... | ৫৫ |
| সাধাৰণ ঘা চিকিৎসা ... ... | ৫৫ |
| ৰক্তস্রাব নিবাৰণ ... ... | ৫৫ |
| পীনাস ঘা ... ... | ৫৬ |
| জীভাৰ ঘা ... ... | ৫৬ |
| কাঁধ থৰ ... ... | ৫৭ |
| মুহিয়া থৰ ... ... | ৫৭ |

| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| বিষ ভক্ষণ চিকিৎসা | ... | ... | ৫৮ |
| সর্প দংশন | ... | ... | ৫৯ |
| কাঠ আজনেই | ... | ... | ৬১ |
| মামৰেশী | ... | ... | ৬২ |
| চক্ষুৰ জাল পৰা | ... | ... | ৬২ |
| লেটুকা লাগা | ... | ... | ৬২ |
| পাগলা শিয়াল কুকুৰে খোৱা | ... | ... | ৬৩ |
| ছবকা লাগা | ... | ... | ৬৪ |
| ছবকা প্ৰতিষেধক ঔষধ | ... | ... | ৬৬ |
| অহমকোৰ | ... | ... | ৬৬ |
| মৌ বোৰোল প্ৰভৃতি দংশন | ... | ... | ৬৭ |
| ভগ্ন চিকিৎসা | ... | ... | ৬৮ |

সূচীপত্ৰ সমাপ্ত।

# গো-চিকিৎসার শুদ্ধিপত্র।

| অশুদ্ধ | শুদ্ধ | পৃষ্ঠা | পংক্তি |
|---|---|---|---|
| গোশুশ্রুষা | গোসুশ্রুষা | ১ | ১৩ |
| গোশুশ্রুষা | গোসুশ্রুষা | ২ | ১১ |
| শুশ্রুষা | সুশ্রুষা | ৩ | ১৪ |
| মছজিদেত | মছজিদত | ৪ | ২ |
| গরুবোর | গরুবোর | ৬ | ২৫ |
| তিমটি | তিনটী | ৯ | ৯ |
| চাবিওটি | চাবিওটী | ৯ | ১০ |
| এটি | এটী | ৯ | ১৫ |
| মাংশপেশী | মাংসপেশী | ১৫ | ১২ |
| নিপরূপণ | নিরূপণ | ১৮ | ১১ |
| ছমাবের | ছমাহর | ১৮ | ১৫ |
| গুড়া | গুড়া | ১৯ | ৩ |
| লাছে লাছে | লাহে লাহে | ১৯ | ৬ |
| বতি | বটি | ২১ | ২ |
| বতি | বটি | ২১ | ১৪ |
| পেটের | পেটর | ২১ | ১৮ |
| বতি | বটি | ২২ | ৪ |
| বতি | বটি | ২৩ | ৮ |
| ছেবাগীয়া | ছেৰাণীয়া | ২৩ | ১৪ |
| আছে | আহে | ২৩ | ২১ |
| থুওৱাব | থুওৱাব | ২৪ | ১৬ |

| অশুদ্ধ | শুদ্ধ | পৃষ্ঠা | পংক্তি |
|---|---|---|---|
| খরাব | খুরাব | ২৫ | ২১ |
| দিণো | দিণত | ২৬ | ৮ |
| বতি | বটি | ৩০ | ২৩ |
| ভুমরু | ডুমরু | ৩৩ | ২১ |
| ভুমরু | ডুমরু | ৩৩ | ২২ |
| বতি | বটি | ৩৩ | ২৩ |
| ডেল | তেল | ৩৪ | ১৭ |
| তেব | দেড় | ৩৭ | ২ |
| মুমল | মল | ৩৯ | ৩ |
| ডেড় | দেড় | ৪২ | ১৪ |
| মিজাই | সিজাই | ৪২ | ১৯ |
| ডেব | দেড় | ৪৬ | ৯ |
| তুলিথায় | তলিথায় | ৪৭ | ৯ |
| একপোবা | একপোরা | ৪৮ | ১১ |
| আন্ধু ডেড় | আন্ধু দেড় | ৪৮ | ১১ |
| খোৱাত | খোৱাত | ৪৯ | ১৫ |
| ডেড় ছটাকি | দেড় ছটাক | ৫১ | ২৫ |
| বতি | বটি | ৫২ | ১৫ |
| গলাফুলা | গলফুলা | ৫২ | ২০ |
| পত্রত | পাত্রত | ৫৩ | ২৩ |
| ঔষধটি | ঔষধটী | ৫৬ | ৭ |
| উৱামে | উৱাসে | ৫৯ | ১৫ |

শ্ৰীশ্ৰীগুৰবে নমঃ।

# গো-চিকিৎসা।

প্ৰণম্য পৰমাত্মানম্ শ্ৰীৰূপেশ্বৰ শৰ্ম্মণা।
গবাং মহোপকাৰায় গোচিকিৎসা বিতন্যতে ॥

## প্ৰথম অধ্যায়।

### গোপালন।

হিন্দুশাস্ত্ৰত উক্তি আছে যে গৰুক সদাই পূজা কৰিব লাগে। গৰুক ভালকৈ চাৰি বান্ধি ৰাখিব লাগে। গৰু জাতি ঈশ্বৰৰ নিচিনা। পূৰ্ব্বে জমদগ্নি, বশিষ্ঠ, দিলীপ প্ৰভৃতি মহাত্মা সকলে কামধেনু সেৱা কৰি আশাতীত ফল লভিছিল। মহাভাৰত আদিতো এই বিষয় ভাল কৈ উক্তি আছে। "গোগ্ৰাস দান" আহ্নিক কৃত্যৰ ভিতৰত এটা প্ৰধান ক্ৰিয়া। স্মৃতি শাস্ত্ৰতো গোবধাদি মহাপাপ খণ্ডাবলৈ গো-শুশ্ৰূষা প্ৰায়শ্চিত্ত স্বৰূপ বিধান কৰিছে। বাস্তবিকে ভাবি চালে স্পষ্ট দেখা যায় যে

গৰুৰ নিচিনা সংসাৰত মহোপকাৰী জীৱ আৰু নাই। গৰু নহলে এক মূহুৰ্ত্তকালো সংসাৰ চলিব নোৱাৰে। গৰু জাতিৰ পৰা মহৎ উপকাৰ হোৱা দেখিয়েই পূৰ্ব্বে হিন্দুবিলাকে ঘৰে ঘৰে গৰু সেৱা কৰিছিল। সেই কাৰণেই তেঁওলোকৰ দুৰ্ভিক্ষাদি কোনো উপতাপো নাছিল। আৰু সেই সময়ত হিন্দুবিলাক জগতত সকলোতকৈ উন্নতিশালী আছিল। কালৰ গতিত এতিয়া গোসেৱা লোপ হোৱাই হিন্দুবিলাকৰ দিনে দিনে অবনতি হব লাগিছে, আৰু দুৰ্ভিক্ষ মৰকাদি নানা উপতাপে পীড়া কৰিবও ধৰিছে। যদি সংসাৰত উন্নতি কামনা কৰা তেনেহলে পূৰ্ব্বৰ নিচিনাকৈ গোশুশ্ৰূষা আৰম্ভ কৰা। পাঠক! অল্প ভাবি চোৱা ছোন গৰুৰ পৰা জগতৰ কিমান উপকাৰ হয়। দধি, দুগ্ধ, ঘৃত, গোময় আৰু গোমূত্ৰ এই পঞ্চগব্যৰ দ্বাৰা অশুচি বস্তুৰ শোধন, আৰু দেৱতাৰ স্নানাদি কৰোৱা হয়। এৱঁা গাখীৰৰ পৰা ক্ষীৰ, ছানা, মাখন আদি মনোহৰ খোৱাবস্তু বোৰ কৰা হয়। দৈৰ দ্বাৰা মধুপৰ্কাদি ভক্ষ্য ভোজ্য সম্পন্ন হয়। ঘিঊৰ দ্বাৰা হোম যজ্ঞ আদি সমাধা কৰা হয়। এই ঘিঁউ মানুহৰো এবিধ প্ৰধান খাদ্য। গোবৰ সাৰ নিদিলে গছ লতা প্ৰভৃতি কোনো উদ্ভিদ পদাৰ্থ ভালকৈ হব নোৱাৰে। এনেকি গোবৰ নহলে শাক, তামাখু, জলকীয়া প্ৰভৃতিয়ে ভাল নহয়। ই ধানৰ প্ৰধান সাৰ। ইয়াক ঘৰ মচা মাটিৰ লগত দিলে ই ক'লা জ্বৰ প্ৰভৃতি ৰোগ আতৰ কৰিব পাৰে। আয়ুৰ্ব্বেদ শাস্ত্ৰত উক্তি আছে যে গোমূত্ৰৰ পৰা প্লীহা, যকৃৎ, শোথ প্ৰভৃতি বহুত ৰোগ ধ্বংস হয়। গৰুৰ চালৰ পৰা ঘোৰাৰ জিন, লেকাম, জোটা প্ৰভৃতি বহুত আৱশ্যকীয় বস্তু প্ৰস্তুত কৰা হয়। গৰু কাহত

পৰাও কটাৰীৰ ডাব, বুটাম প্ৰভৃতি বহুত আৱশ্যকীয় বস্তু কৰা হয়। গৰুৰ শৰীৰত গোৰোচনা নামে এক প্ৰকাৰ অতি উত্তম আৰু বহুমূলীয়া বস্তু উৎপন্ন হয়, তাৰ পৰা ঔষধ কবচাদি প্ৰস্তুত হয়। বলদৰ দ্বাৰা কৃষি বাণিজ্যাদি জীৱন ধাৰনৰ উপায় বিলাক কৰা হয়। মানুহকে আদি কৰি প্ৰায় সকলো প্ৰাণীয়েই মাতৃ হীন হলে গৰুৰ গাখীৰ খায় প্ৰাণ ধাৰণ কৰে। মূলতে কবলৈ গলে চৰাচৰ জগতত যতপ্ৰকাৰ সচেতন অচেতন প্ৰাণী আছে এই সকলোৰেই গৰু জাতি মহৎ উপকাৰী। গৰুৰপৰা উপকাৰ নোপোৱা এনেকুৱা জীৱ বিধিয়ে সজা নাই বুলিলেও বোধ কৰোঁ অত্যুক্তি ন হয়।

গৰুৰ পৰা হিন্দুৰ যি যি উপকাৰ হয় মুছলমান খ্ৰীষ্টান প্ৰভৃতিৰো সেই সেই উপকাৰ সাধন হয়। অতএব কেৱল হিন্দুৰেহে যে গৰু শুশ্ৰুষা কৰিব লাগে এনে ন হয়, মনুষ্য মাত্ৰেই ইয়াক কৰিব লাগে। বাস্তবিক এনেকুৱা মহোপকাৰী জন্তুৰ প্ৰতি ভক্তি শ্ৰদ্ধা নেদেখুৱা বা সযত্নে পালন নকৰা পাষণ্ডৰ কাম। প্ৰাচীন ইতিহাস মেলি চালে আন আন সভ্য দেশতো ভিন্ন ভিন্ন জাতিৰ ভিতৰত গোসেৱা আৰু গোপালনৰ যত্ন দেখ যায়। মিসৰ দেশৰ অসংখ্য প্ৰাচীন ভগ্নাবশিষ্ট মঠ বোৰত আজিও নানা জাতি গৰুৰ চিত্ৰবোৰ দেখা যায়। মিসৰবাসি বিলাকে যে গোজাতিক দেৱজ্ঞানে ভক্তি কৰে ইতিহাসে তা বিশেষ প্ৰমাণ দিছে। পূৰ্ব্বে ইংলণ্ডতো ধৰ্ম্ম যাজক বিলাকে গৰুৰ চিত্ৰ আকা সাজপাৰ পিন্ধিছিল। ধৰ্ম্মত মুছলমান হৈ দিল্লীশ্বৰ আকবৰে গঙ্গাজল গোময় আৰু গৰুক পবিত্ৰ জ্ঞা কৰিছিল।

১৩১৯ সনত কলিকাতা মহানগৰীত কোনো এটা মছজিদেত বক্রীদ উপলক্ষে গৰু কটা বাবদে মুছলমান আৰু মাৰোৱাৰীৰ ভিতৰত মহা বিবাদ উপস্থিত হয়। ইয়াৰ মীমাংসা কৰিবৰ নিমিত্তে বঙ্গদেশৰ ছোটলাট বাহাদুৰ, বৰ্দ্ধমানৰ মহাৰাজ, আফগান আমীৰ আৰু মুৰ্চ্ছিদাবাদৰ নবাব প্ৰভৃতি সম্ভ্ৰান্ত মহোদয়গণৰ সভা হয়। সেই সভাত উক্ত মুছলমান ধৰ্ম্মী মহোদয়গণেও কয় যে গৰু হিন্দুৰ যেনে উপকাৰী মুছলমানৰো তেনে উপকাৰী, গতিকে মুছলমানেও গোবধ কৰা অনুচিত। কোৰাণ শাস্ত্ৰতো মুছলমানে গোবধ কৰিব লাগে বুলি কোনো উক্তি নাই; কেবল "মুৰ্ব্বা কোৰ্ব্বাণি" এই শব্দ উল্লেখ আছে। "মুৰ্ব্বা" শব্দে বকৰী (ছাগল)ক বুজায় কিন্তু গৰুক নুবুজায়। ইত্যাদি (বঙ্গবাসী)।

আয়ুৰ্ব্বেদৰ চৰক সংহিতাৰ অতিসাৰ ৰোগৰ স্থলত উল্লেখ আছে যে, আদি কালে খলু যজ্ঞেষু পশবঃ সমালভনীয়া বভূবুৰ্ন্না-ৰম্ভায় প্ৰক্ৰিয়ন্তেস্ম। ততো দক্ষযজ্ঞ প্ৰত্যবৰ কালং মনোঃ পুত্ৰাণাং মৰিষ্যন্নাভাগেক্ষাকু কুবিড়চৰ্য্যাত্যাদীনাঞ্চ ক্ৰতুষু পশূনামেবাভ্যনুজ্ঞানাৎ পশবঃ প্ৰোক্ষণমবাপুঃ। ততশ্চ প্ৰত্যবৰ কালং পৃষধ্ৰেণ দীৰ্ঘসত্ৰেণ যজমানেন পশূনামলাভাদ্গবা মালম্ভঃ প্ৰবৰ্ত্তিতঃ। তংদৃষ্ট্বা প্ৰব্যথিতা ভূতগণাঃ তেষাঞ্চোপ যোগাদুপকৃতানাং গবাং গৌৰবা দৌক্ষ্যা দশাত্ম্যত্বাদস্তোপ যোগাচ্চোপহতা গ্নিনা মুপহত মানসা মতীসাৰঃ পূৰ্ব্বমুৎপন্নঃ বৃষধ্ৰ যজ্ঞে ইতি। অৰ্থাৎ গোমাংস অতি গুৰু পাকী। পূৰ্ব্বে পৃষধৰ যজ্ঞত ঋষি সকলে গোমাংস খাই সেই গৰু পুনৰাই জীয়াই ছিল, তথাপি সেই গোমাংস জীন নিয়াৰ নোলাৰি

অতিসাৰ ৰোগ ভোগ কৰে, আৰু তেতিয়াৰ পৰা গোমাংস ভক্ষন একেবাৰে নিষেধ হয়। পাঠক! এতিয়া পূৰ্ব্বাপৰ ভাবি চোৱাছোন গোমাংস ভক্ষণ কেনে নিষিদ্ধ।

প্ৰাচীন কালত জগতত ৰজা প্ৰজা সকলোৱে ঘৰে ঘৰে গৰু পালন কৰিছিল। গোপালন তেঁওলোকৰ এটী নিত্যব্ৰত আছিল। কৃষ্ণ গোসাঁও নিজে গৰু চাৰিছিল—সেই সময়ত ভাৰতত গৰুৰ গাখীৰ অপৰিমিত আছিল। সেই গাখীৰৰ বলতে ঋষি সকলে যাগ যজ্ঞাদি চলাই ছিল। শাস্ত্ৰতো কোৱা আছে যে যজ্ঞাভবতি পৰ্জ্জন্যো আদিত্য মুপতিষ্ঠতে। আদিত্যাজ্জায়তে বৃষ্টিৰ্বৃষ্টেৰন্নং ততঃ প্ৰজা ইত্যাদি অৰ্থাৎ গাখীৰৰ পৰা ঘিঁউ হয়, ঘিঁউৰে যজ্ঞে কৰে, সেই যজ্ঞৰ দ্বাৰা দেবতা সকল তুষ্ট হোৱাতে সুবৃষ্টি হয়, বৃষ্টিৰে পৃথিবীত অপৰিমিত শস্য উৎপন্ন হয়। সেই উৎপন্ন হোৱা শস্য খাই সকলো মানুহে সুখে কাল যাপন কৰিছিল। নিতৌ গৰুৰ গাখীৰ খোৱাৰ নিমিত্তে তেঁওলোকৰ মেধা শক্তিও অত্যন্ত প্ৰখৰ আছিল। এতিয়া গৰুৰ প্ৰতি যত্ন নোহোৱাতে গৰু দিনকে দিনে হীন তেজী হৈছে, আৰু গাখীৰ আদিৰো অভাৱ হৈ আহিছে। গাখীৰ ঘিঁউৰ অভাৱত যাগ যজ্ঞাদি লোপ হৈ সুবৃষ্টিৰ অভাৱ হৈছে। আৰু বৃষ্টিৰ অভাৱত দুৰ্ভিক্ষাদি উপস্থিত হৈ মানুহৰ হাঁহাকাৰ লগাইছে। ইউৰোপবাসীয়ে যদিও গোমাংস খায় তথাপি তেঁওলোকে গৰুৰ প্ৰতি বিশেষ চকু ৰাখে। সেই কাৰণে সেই সকল ঠাইত গৰু জাতিৰ ক্ৰমে উন্নতি হব ধৰিছে।

পাঠক! অলপ ভাবি চোৱাছোন তোমাৰ এটী বা দুটী লৰা ছোৱালী আছে, সেই সকলক প্ৰতিপাল কৰোঁতে কিমান

পৰিশ্ৰম, কিমান পয়ছা খৰছ, আৰু সময়ে সময়ে কিমান মন কষ্ট হয়। তেঁও লোকৰ বেমাৰ হলে চিন্তাত অস্থিৰ হৈ অশেষ কষ্ট কৰি ওজা বা কবিৰাজ বিচাৰি আনি চিকিৎসা কৰোৱা। কিন্তু তোমাৰ লৰা ছোৱালীতকৈ শতগুণে উপকাৰী গৰুৰ ৰোগ হলে সিফালে কানকে নকৰা এটা পয়ছাও খৰছ কৰি ঔষধ আদি নিবিচাৰা। ইয়াৰ কাৰণ কি? লৰা ছোৱালী সৎ স্বভাবৰ হলে তোমাক প্ৰতিপালন কৰিব, কিম্বা সৎকাৰ্য্যৰ দ্বাৰা অন্তে তোমাৰ উৰ্দ্ধগতি সাধন কৰিব। কিন্তু সেয়ে ন হলে তোমাক প্ৰতিপাল কৰা দূৰে থাকোক তোমাৰ যথা সম্পত্তি ধ্বংস কৰিব, আৰু নানা অপকৰ্ম্ম কৰি অন্তে তোমাক নৰক-গামী কৰিব। কিন্তু যদি তুমি ৰিতিমতে গোপালন কৰা তেন্তে সেই গৰু ভাল হলে তোমাৰ উপকাৰ সাধি দিব আৰু বেয়া হলেও ইহকাল পৰকাল তোমাৰ উপকাৰত বাজে কেতিয়াও অপকাৰ নহয়। অতএব মানুহ মাত্ৰেই লৰা ছোৱালীতকৈও গৰুক বেছি ভাবে আদৰ কৰা উচিত।

বাস্তবিকে ভাবি চালে গৰুক পালন কৰাত বেছি টকা পয়ছা খৰছৰ, আৰু বিশেষ পৰিশ্ৰমৰ আৱশ্যক নকৰে। পথাৰত খেতি কৰি তাক তুমি আনিবা, নৰা ও খাঁহ গৰুক দিবা। ধান মাৰি তুমি ৰাখিবা, খেৰ ও চোকোলা গৰুক দিবা। ধান বানি চাউল তুমি ৰাখিবা, মল বোৰ গৰুক দিবা, ভাত ৰান্ধি তুমি খাবা, কেৱল মাৰ খিনি গৰুক দিবা। এতেকে চাবলৈ গলে গৰুক আদৰ কৰাত টকা পয়ছাৰ একো খৰছ নাই বুলিলেও হয়।

ইয়াত বাজেও আমাৰ দেশত এটা বেয়া নিয়ম চলিত

হয়, কিন্তু ইয়াত অপকাৰত বাজে উপকাৰ একো নাই। ইয়াৰ পৰা নানাৰকম খেতি ও নষ্ট হয় আৰু অনেক গৰুও হেৰায় যায়। কিছুমান চোৰে নিয়ে, কিছুমান বাঘে খায় আৰু কিছুমান বোকাত পৰিও মৰে ইত্যাদি নানা বিঘিনি হয়। হিন্দু শাস্ত্ৰ মতেও ইয়াত অপালন বাবে প্ৰায়শ্চিত্ত লাগে। সেই তিনি মাহত অতিৰিক্তকৈ ঘাঁহ খোৱা বাবে ৰোগ উপস্থিত হৈও কিছুমান গৰু মৰে। আয়ুৰ্ব্বেদতো উক্তি আছে যে অনিয়মিত আহাৰ বিহাৰাদিৰ পৰা নানা ৰোগ উপস্থিত হয়। পাঠক! ভাবি চোৱাছোন কিছুদিন কম কৰি খাই কিছুদিন বেছি কৈ খালে তোমাৰ জানো বেমাৰ নহব?

পালনৰ দোষে আমাৰ দেশৰ গৰু বোৰ অন্য দেশৰ গৰুতকৈ ক্ষীণ আৰু দুৰ্ব্বল। ভুটিয়া নেপালি পশ্চিমীয়া ও বিলাতী গৰুৰ লগত তুলনা কৰিলে আমাৰ দেশৰ তিনি চাৰিটা গৰু লগ হৈ হে সেই বোৰ দেশৰ এটা গৰুৰ সমান হব। সেই বিলাক গাইৰ গাখীৰ আঠ দহ সেৰকৈ ওলায় কিন্তু আমাৰ গাই বোৰৰ হলে পাছ ছয় পোৱা কৈও নোলায়। এতেকে আমি গৰুৰ প্ৰতিপাল বিষয়ে বিশেষ যত্নবান হোৱা উচিত। ৰীতি মতে প্ৰতিপাল কৰিবলৈ হলে সদাই নিয়মিতকৈ খাব দিব লাগে, ভাল ঘৰত থব লাগে, ৰোগ হলে ঔষধ পাটি বিচাৰ কৰি দিব লাগে। সদায় আগুৰি ৰাখিব লাগে। পুৱা কিম্বা গধুলি সময়ত আন নেপালেও চাউলৰ মল কিম্বা খলিহৈ খুৱাই লোণ মিহলোৱা ৪।৫ সেৰ পাণী খুৱাব লাগে; তেনে হলে গৰু হৃষ্টপুষ্ট আৰু বলিষ্ঠ হয় আৰু গাই বোৰবো অধিক পৰিমাণে গাখীৰ ওলায়।

আজি কালি কোনো কোনো ঠাইত এটা কুপ্ৰথা হৈছে যে কিছুমান নীচাশয় মানুহে লোভত পৰি বুঢ়া আৰু ক্ষীণ গৰু বোৰ অলপদামত কিনি আনি তাৰ ছাল খন লাভ লৈ বেচে। এইটো কি ভাল কাৰ্য্য? উঃ কি নিৰ্দ্দয়! নিষ্ঠুৰ! সেই মানুহৰ শৰীৰত কি লেশ:মাত্ৰও দয়া নাই। সামান্য লোভৰ বশ হৈ ইহকাল পৰকাল নেভাবি সেই নিৰপৰাধী পশুৰ প্ৰাণ দণ্ড কৰাতো কি পাপ নহয়? ইয়াকো কওঁ যে সেই গোবধকাৰী লোক বিলাকত গৰু বেচা শাস্ত্ৰ মতে নিষেধ। কাৰণ গৰুটি বধ কৰিলে তুমিও পাপৰ ভাগী হবা। এই বিষয় হিন্দুশাস্ত্ৰত নিমিত্ত বধৰ প্ৰায়শ্চিত্ত আছে। এতেকে সকলোৱে এই পাপৰ পৰা আতৰি থকৈ যত্ন কৰা উচিত। পাঠক ভাবিছোৱাছোন গৰু কেনে কুৱা বস্তু তাৰ গাওত কিমান দেবতা থাকে যথা— "দন্তেষু মৰুতো দেবা জিহ্বায়াঞ্চ সৰস্বতী। খুৰ মধ্যে তু গন্ধৰ্ব্বা খুৰাগ্ৰেষু তু পন্নগাঃ। সৰ্ব্ব সন্ধিষু সাধ্যাশ্চ চন্দ্ৰাদিত্যৌ তু লোচনে। ককুদি সৰ্ব্ব নক্ষত্ৰং লাঙ্গুলে ধৰ্ম্ম আশ্ৰিতঃ। অপানে সৰ্ব্বতীৰ্থানি প্ৰস্ৰাবে জাহ্নবী নদী। নানা দ্বীপ সমাকীৰ্ণা শ্চত্বাৰঃ সা গৰস্তথা। ঋষৰো ৰোমকূপেষু গোময়ে পদ্মধাৰিনী॥ ৰোমসু সন্তি বিদ্যাশ্চত্বককেশেষয়ণদ্বয়ং। ধৈৰ্য্যং ধৃতিশ্চ ক্ষান্তিশ্চ পুষ্টিৰ্ব্বৃদ্ধিস্তথৈব চ। স্মৃতিৰ্ম্মেধা তথা লজ্জা বপুঃ কীৰ্ত্তি-স্তথৈবচ। বিদ্যা শান্তি মতিশ্চৈব সন্ততিঃ পৰমা তথা। গচ্ছন্তীমনুগচ্ছন্তি এতাষাং বৈনসংশয়ঃ। যত্ৰ গাবো জগত স্তত্ৰ দেবদেব পুৰোগমাঃ। যত্ৰ গাবস্তত্ৰ লক্ষ্মীঃ সাংখ্য ধৰ্ম্মশ্চ শাশ্বতঃ। সৰ্ব্বৰূপেষু তাগাবস্তিষ্ঠন্ত্যভিমতঃ সদা। গাবঃ পবিত্ৰা মঙ্গল্যা দেবানা মপি দেবতাঃ।

সুশ্ৰুষতে ভক্ত্যা সপাপেভ্যঃ প্ৰমুচ্যতে”—ইতি বৰাহ পুৰাণম্।

## গো দোহন অৰ্থাৎ গৰু খীৰোৱা নিয়ম।

প্ৰসব হোৱা দিনৰ পৰা এক মাহ পৰ্য্যন্ত মানুহৰ নিচিনাকৈ গাই বোৰৰো সূতিকা অশৌচ থকাৰ নিমিত্তে প্ৰথম মাহত গাই খীৰোৱা নিষেধ। খীৰালেও সেই গাখীৰ দেবকাৰ্য্যাদিত নচলে। খালেও হিন্দুশাস্ত্ৰমতে প্ৰায়শ্চিত্ত লাগে। দ্বিতীয় মাহত দুটা বাট খীৰাব লাগে। তৃতীয় মাহত তিনটি বাট খীৰাব লাগে। চতুৰ্থ মাহতহে চাৰিওটি বাট খীৰাব লাগে। এনেকৈ খীৰালে পোৱালী অতিশয় হৃষ্ট পুষ্ট আৰু বলিষ্ঠ হয়। আজিকালি মানুহে পয়ছাৰ লোভত প্ৰথম মাহৰে পৰা সম্পূৰ্ণৰূপে খীৰাবলৈ আৰম্ভ কৰে। সেই নিমিত্তে খাব নেপায় অনেক পোৱালী মৰি যায়, আৰু যি বাচি থাকে সিও ভবিষ্যতে ক্ষীণ আৰু দুৰ্ব্বল হয়। পাঠক! ভাবি চোৱা, গছৰ পুলি এটি ৰুই সাৰ গোবৰ নিদিলে যেনেকৈ ডাঙৰ হব নোৱাৰে, মানুহৰ সন্তান আৰু গোৰুৰ পোৱালীও খাব নেপালে তেনেকৈ ডাঙৰ হব নোৱাৰে। এই কাৰণেই আমাৰ দেশৰ মানুহ, আৰু গৰু উভয়ে ক্ৰমে ক্ষীণ আৰু দুৰ্ব্বল হৈ আহিব ধৰিছে। গাই সদাই এক নিৰ্দ্দিষ্ট সময়ত একেজন মানুহে মাথোন খীৰাব। সময় লৰ চৰ হলে বা ভিন ভিন মানুহে খীৰালে গাখীৰ কম হয়। খীৰোৱা ঠাইত ষাঁড়, ঘোৰা, নাইবা কুকুৰ প্ৰভৃতি ভয়লগা জন্তু থাকিলে কিম্বা অপৰিচিত মানুহ থাকিলেও গাই জনীয়ে ভয় পায়। আৰু ভয় পালেই গাখীৰ কম হয়।

## গাখীৰ অধিক হোৱাৰ উপায়।

সকলোৱে কয় যে অধিক বস্তু খুৱালে গাইৰ গাখীৰ বেছি হয়। কিন্তু সেইটো ঠিক নহয়। কোনো কোনো বস্তু কমকৈ খালেও দ্রব্য গুণে গাখীৰ বেছি হয়, আৰু চাউলৰ মল প্রভৃতি শোষক বস্তু বোৰ বেছিকৈ খালেও গাখীৰ কমে। এই নিমিত্তে নিয়ম মতে গাখীৰ ওলোৱা বস্তুহে খুৱাব। যেনে:—(১) প্রসব হোৱাৰে পৰা ১৫ দিন পর্য্যন্ত সদাই বাতিপুৱা জাতি লাউ আৰু চাউল লগ কৰি সিজাই লোন মিহলাই খুৱালে গাখীৰ বেচি হয়। (২) প্রসব হোৱাৰে পৰা কিছুদিন গধূলি সময়ত কলাৰ ডালি ভিজাই খুৱালেও গাখীৰ বেচি হয়। (৩) তেতেলিৰ আঠা কিছুদিন এক আনা পৰিমাণে খুৱালে গাখীৰ বেচি হয়। (৪) গড়ৰ মঙহ এক আনা পৰিমাণে কিছুদিন ৰোজ কৰি খুৱালেও গাখীৰ বেচি হয়। (৫) কেছা ঘাঁহ ও ভাতৰ পানী বেচিকৈ খুৱালেও গাখীৰ বেচি হয়। (৬) জোনেই সামুকৰ পেটা স্থলপদ্ম ফুলৰ মুৰা আৰু দেৱতৱাৰ মুৰা তিনিকো লগে সিজাই প্রসবৰ পাচ দিন পৰে পুৱাই পুৱাই খুৱালেও গাখীৰ বেচি হয়। (৭) বাহঁৰ পাত পাণীত সিজাই আধাসেৰ ভাতৰ মাৰ যমানি (জৈন বাখৰ) আঢ়ৈ তোলা, গুড় আঢ়ৈ তোলা মিহলাই কিছুদিন খুৱালে গাখীৰ বেচি হয়। (৮) আধাসেৰ মাটি মাহ সিজাই আধাসেৰ ভাতৰ মাৰ: লালি এক পোৱা, পিপলিৰ গুৰা এক তোলা আৰু লোন এক ছটাক মিহলাই খুৱালে গাখীৰ বেচি হয়। (৯) কাঁজি কুঁহিয়াৰৰ শিপা এক ছটাক লগ কৰি কিছুদিন খুৱালেও গাখীৰ বেচি হয়।

## গাখীৰতী গাইৰ লক্ষণ।

যি গাই জনীৰ আগভৰিতকৈ পাছভৰি ডাঙৰ, বা পাছ ভৰিতকৈ আগ ভৰি ডাঙৰ, গলটী সৰু, শিং ছুটী বেকা, আৰু সৰু, লেজ দীঘল, নোমবোৰ কোমল বাট বোৰ ডাঙৰ আৰু আগ-ফাল তকৈ পাছ থাল ডাঙৰ দেখা যায়, সেই গাই জনীয়ে অধিক গাখীৰ দিয়ে। আৰু যি গাই জনী অধিক বয়সত গৰ্ভবতী হয় তাইৰো গাখীৰ বেচি হয়।

যি গাই কম বয়সতে গৰ্ভবতী হয়, আৰু যি গাইৰ বাট বোৰ সৰু আৰু বাটৰ ফুটা বোৰো সৰু, সেই গাইৰ গাখীৰ বেচি নহয়। কিন্তু ভালকৈ দানাপাণী খুৱালে তেনেকুৱা গাইৰ দ্বিতীয় পিয়ানতো গাখীৰ কিছু বেচি হয়। যি গাই বোৰে সৰুৰে পৰা ভালকৈ খাব নাপায় সুলক্ষণা হলেও তাইৰ গাখীৰ বেচি নহয়। যি গাইক যাড়ৰ নিচিনা দেখা যায় গাটোত বেচিকৈ মঙহ থাকে শিং আৰু হাড় বোৰ ডাঙৰ, তাইৰ গাখীৰ কম হয়।

## গাই শীঘ্ৰে গৰ্ভিণী নহলে তাৰ উপায়।

গাই যদি শীঘ্ৰে গৰ্ভিণী নহয়, তেনেহলে যি গাই সদায় বেচিকৈ ঘাহঁপানী খায়, সেই গাইক কমকৈ খাব দিব লাগে, আৰু যি গাই কমকৈ খাঁহপাণী খায় সেই গাইক বেছিকৈ খাব দিব লাগে। সেনে হলে গাই সোনকালে গৰ্ভিণী হয়। কিছুদিন শুকান খলিহৈ খুৱালেও গৰ্ভিণী হয়। নিয়মমতে বায়ু, বৰ্ষা, ব্যায়াম আৰু ৰ'দৰ তাপ নেপালে জননশক্তি নিস্তেজ হয়, গতিকে বসন্তকালত দমৰাৰ লগত ফুৰিব দিলে কামোদ্ভব হৈ গাই বোৰ সোনকালে গৰ্ভিণী হয়।

## গাখীৰ অধিক হোৱাৰ উপায়।

সকলোৱে কয় যে অধিক বস্তু খুৱালে গাইৰ গাখীৰ বেছি হয়। কিন্তু সেইটো ঠিক নহয়। কোনো কোনো বস্তু কমকৈ খালেও দ্ৰব্য গুণে গাখীৰ বেছি হয়, আৰু চাউলৰ মল প্ৰভৃতি শোষক বস্তু বোৰ বেছিকৈ খালেও গাখীৰ কমে। এই নিমিত্তে নিয়ম মতে গাখীৰ ওলোৱা বস্তুহে খুৱাব। যেনে :—(১) প্ৰসব হোৱাৰে পৰা ১৫ দিন পৰ্য্যন্ত সদাই ৰাতিপুৱা জাতি লাউ আৰু চাউল লগ কৰি সিজাই লোন মিহলাই খুৱালে গাখীৰ বেচি হয়। (২) প্ৰসব হোৱাৰে পৰা কিছুদিন গধূলি সময়ত কলাৰ ডালি ভিজাই খুৱালেও গাখীৰ বেচি হয়। (৩) তেতেলিৰ আঠা কিছুদিন এক আনা পৰিমাণে খুৱালে গাখীৰ বেচি হয়। (৪) গড়ৰ মঙ্গহ এক আনা পৰিমাণে কিছুদিন ৰোজ কৰি খুৱালেও গাখীৰ বেচি হয়। (৫) কেছা ঘাঁহ ও ভাতৰ পানী বেচিকৈ খুৱালেও গাখীৰ বেচি হয়। (৬) জোনেই সামুকৰ পেটা স্থলপদ্ম ফুলৰ মূৰা আৰু দেৱতৰাৰ মূৰা তিনিকো লগে সিজাই প্ৰসবৰ পাচ দিন পৰে পুৱাই পুৱাই খুৱালেও গাখীৰ বেচি হয়। (৭) বাহঁৰ পাত পাণীত সিজাই আধাসেৰ ভাতৰ মাৰ যমানি ( জৈন বাথৰ ) আটে তোলা, গুড় আটে তোলা মিহলাই কিছুদিন খুৱালে গাখীৰ বেচি হয়। (৮) আধাসেৰ মাটি মাহ সিজাই আধাসেৰ ভাতৰ মাৰঃ লালি এক পোৱা, পিপলিৰ গুৰা এক তোলা আৰু লোন এক ছটাক মিহলাই খুৱালে গাখীৰ বেচি হয়। (৯) কাঁজি কুঁহিয়াৰৰ শিপা এক ছটাক লগ কৰি কিছুদিন খুৱালেও গাখীৰ বেচি হয়।

## গাখীৰতী গাইৰ লক্ষণ।

যি গাই জনীৰ আগভৰিতকৈ পাছভৰি ডাঙ্গৰ, বা পাছ ভৰিতকৈ আগ ভৰি ডাঙ্গৰ, গলটো সৰু, শিং দুটা বেকা, আৰু সৰু, নেজ দীঘল, নোমবোৰ কোমল বাট বোৰ ডাঙ্গৰ আৰু আগ-ফাল তকৈ পাছ থাল ডাঙ্গৰ দেখা যায়, সেই গাই জনীয়ে অধিক গাখীৰ দিয়ে। আৰু যি গাই জনী অধিক বয়সত গৰ্ভবতী হয় তাইৰো গাখীৰ বেচি হয়।

যি গাই কম বয়সতে গৰ্ভবতী হয়, আৰু যি গাইৰ বাট বোৰ সৰু আৰু বাটৰ ফুটা বোৰো সৰু, সেই গাইৰ গাখীৰ বেচি নহয়। কিন্তু ভালকৈ দানাপাণী খুৱালে তেনেকুৱা গাইৰ দ্বিতীয় পিয়ানতো গাখীৰ কিছু বেচি হয়। যি গাই বোৰে সকৰে পৰা ভালকৈ খাব নাপায় সুলক্ষণা হলেও তাইৰ গাখীৰ বেচি নহয়। যি গাইক যাড়ৰ নিচিনা দেখা যায় গাটোত বেচিকৈ মঙ্গহ থাকে শিং আৰু হাড় বোৰ ডাঙ্গৰ, তাইৰ গাখীৰ কম হয়।

## গাই শীঘ্ৰে গৰ্ভিণী নহলে তাৰ উপায়।

গাই যদি শীঘ্ৰে গৰ্ভিণী নহয়, তেনেহলে যি গাই সদায় বেচিকৈ ঘাঁহপানী খায়, সেই গাইক কমকৈ খাব দিব লাগে, আৰু যি গাই কমকৈ ঘাঁহপাণী খায় সেই গাইক বেছিকৈ খাব দিব লাগে। সেনে হলে গাই সোনকালে গৰ্ভিণী হয়। কিছুদিন শুকান খলিহৈ খুৱালেও গৰ্ভিণী হয়। নিয়মমতে বায়ু, বৰ্ষা, ব্যায়াম আৰু ৰ'দৰ তাপ নেপালে জননশক্তি নিস্তেজ হয়, গতিকে বসন্তকালত দমৰাৰ লগত ফুৰিব দিলে কামোদ্ভব হৈ গাই বোৰ সোনকালে গৰ্ভিণী হয়।

## গাখীৰৰ গুণ।

গাই বিলাকৰ খোৱা বস্তুৰ গুণ অনুসাৰে গাখীৰৰ গুণৰ অনেক তাৰতম্য আছে। যেনে—যি গাই অলপ আহাৰ খায় তাইৰ গাখীৰ পুষ্টিকাৰক, শ্লেষ্মাবৰ্দ্ধক, স্বাস্থ্যজনক আৰু বলকাৰক। যি গাইয়ে নানাৰকম ঘাঁহ খায় তাইৰ গাখীৰ উপকাৰী। ব্যায়াম নোহোৱা গাইৰ গাখীৰ তেনে হিতকাৰী নহয়। গাই আৰু দামুৰি যদি একেবৰ্ণৰ হয় তেনেহলে সেই গাইৰ গাখীৰ বেছি উপকাৰী। পোৱালী মৰা আৰু পোৱালী কেচুৱা থকা গাইৰ গাখীৰ অতি অপকাৰী। যৌবন বয়সৰ নতুন গাইৰ গাখীৰ ত্ৰিদোষ হাৰক, তৃপ্তিকাৰক ও বলকাৰক।

খীৰোৱা পাত্ৰ ও পাকপাত্ৰ অপৰিস্কাৰ থাকিলে, গাখীৰৰ গোন্ধ ওলালে, নাইবা গাখীৰৰ লগত পাণী বা অইন বস্তু লগ হলে সেই গাখীৰ অতি অপকাৰী। গতিকে এই বিলাকৰ নিমিত্তে বিশেষ সাবধান হোবা উচিত। ঘনকৈ পগোৱা গাখীৰ গুৰুপাকী হয়, গতিকে পানী নিমিহলোৱা গাখীৰ এবাৰ মাথোন উতলাই খুমাব। সেই গাখীৰ তপতে থাকোঁতে খালে শ্লেষ্মা আৰু বায়ু নাশ হয়, শীতল কৰি খালে পিত্ত নাশ হয়, গতিকে বাত আৰু শ্লেষ্মা থকা মানুহে তপতে থাকোতে খাব আৰু পৈত্তিক ধাতুৰ মানুহে শীতল কৰি খাব। কেচা এৰাঁ গাখীৰ খালে চক্ষুৰোগ হয় আৰু পেট ভাৰ কৰে কিন্তু খিৰোৱা গৰম থাকোঁতে খালে কোনো অপকাৰ নকৰে। ৰাতি এৰাঁ গাখীৰ খালে চক্ষুৰ বিশেষ উপকাৰ হয়, দৈ খালে অকাল মৃত্যু হয়, সেই নিমিত্তে দিনত দৈ আৰু ৰাতি এৰাঁ খোৱা উচিত।

পুৰাই খীৰোৱা গাখীৰ ভাৰী ও শীতল, দুপৰীয়া খীৰোৱা গাখীৰ অধিক গুণশালী আবেলি খীৰোৱা গাখীৰ বায়ু শান্তকাৰক চক্ষু-দিপ্তিকাৰক ও শ্ৰান্তিহাৰক। এই নিমিত্তে দুপৰীয়া ও গোধূলি গাই খীৰোৱা উচিত।

গাইৰ বৰ্ণভেদে গাখীৰৰ গুণৰ তাৰতম্য আছে। যেনে— ৰঙা ও কলা গাইৰ গাখীৰ বায়ুকাৰক, বগা গাইৰ গাখীৰ শ্লেষ্মা-জনক ও গুৰুপাকী, কপিলা গাইৰ গাখীৰ বাতপিত্তহাৰক, পথৰা গাইৰ গাখীৰ বহুগুণযুক্ত। গতিকে কপিলা ও পথৰা গাইৰ গাখীৰ প্ৰশস্ত। কিন্তু শূদ্ৰই কপিলা গাইৰ গাখীৰ খালে হিন্দুশাস্ত্ৰ মতে প্ৰায়শ্চিত্ত আছে।

এৰাঁ গাখীৰ কাছিয়া নোহোৱাকৈ ৰাখিব খুজিলে অলপ পানী মিহলাই জুইৰ ওপৰত দি থব লাগে।

## গাখীৰত উৎপন্ন হোৱা খোৱা বস্তুৰ গুণ।

গাখীৰ খীৰাওতে ওপৰত যি ফেন উঠে তাকে তুলি ৰাখিলে, নাইবা কেছা গাখীৰ কোনো পাত্ৰত ৰাখি ওপৰত এখন কলৰ কোমল পাত দি থলে তাতে লাগি গাখীৰৰ যি চৰ উঠে, তাকে ননী বোলে। (নতুন তোলা মাখনক নবনীত বোলে, সেই নবনীত শব্দৰ পৰা ননী) এই ননীৰ দ্বাৰা অৰ্শৰোগ, শ্বাস, ক্ষয়কাস, শোথ, ব্ৰণ খহু প্ৰভৃতি আৰোগ্য হয়। সুস্থ অবস্থাত খালে কফজনক ও বলকাৰক, লঘু. মধুৰ, কষায় কিঞ্চিৎ অম্লস্বাদ, বাতপিত্ত হাৰক, শীতল, তেজস্কৰ, অগ্নিবৰ্দ্ধক ও মলমূত্ৰৰোধক।

## মাখন।

গাখীৰ তপতাই মথিলে উপৰত যি চামনি উঠে তাকে মাখন বোলে। গাখীৰ গৰম কৰি থলে উপৰত যি চামনি হয়, তাকে গোটালেও মাখন বোলা যায়। (মথাত উৎপন্ন হয় কাৰণে মাখন বোলা যায়) মাখন মলৰোধক, মধুৰ, স্নিগ্ধ, শীতল, ৰক্তপিত্ত ও নেত্ৰৰোগৰ হিতকাৰক ও চক্ষুৰ দীপ্তিজনক। এতিয়াও গোৱাল বিলাকে মাখন তোলে।

## দৈ।

গাখীৰ তপতাই কোনো পাত্ৰত ২।৩ দিন থলে দৈ হয়। ই ত্ৰিদোষ নাশক, পুষ্টিকাৰক, জ্বৰহাৰক, লঘুপাকী। গাখীৰ তপত নকৰাকৈ থলেও দৈ হয়। ইয়াকে কেছা দৈ বোলে। মফচলত প্ৰায় এনেকুৱা দৈয়েই কৰা হয়। এই দৈ বায়ুহাৰক বলজনক, পুষ্টিসাধক, ৰুচিকাৰক, স্নিগ্ধকৰ, অগ্নিবৰ্দ্ধক। আজি-কালি গোৱাল বিলাকে গাখীৰ মথি মাখন তুলি দৈ জমায় আৰু নানা ৰকম ভাঁজ দি ডগৰা প্ৰভৃতি অনেক প্ৰকাৰ দৈ কৰে। বঙ্গদেশত এনেকুৱা নানা প্ৰকাৰ দৈ দেখা যায়।

ভাতৰ লগত প্ৰথমে দৈ খাব লাগে পিছত হে আঞ্জা খাব লাগে। এনেকুৱা হিন্দুশাস্ত্ৰত উক্তি আছে। (আজিকালি পিছত হে দৈ খোৱা নিয়ম হৈছে)। বাস্তবিকে ভাবি চালেও দেখা যায় যে দধি দুগ্ধ ঘৃত আদি পঞ্চামৃতৰ ভিতৰত পৰিগণিত হৈছে। ঘিঁ যেনে কৈ প্ৰথমে খাব লাগে শেষত খোৱা নিষেধ দৈৰো তেনেকুৱা নিয়ম। ৰাতি দৈ খালে অকাল মৃত্যু হয়, এই বিষয়ে মহাভাৰতত উক্তি আছে যে

যেতিয়া দুৰ্য্যোধন ৰজা মৰে তেতিয়া ধৃতৰাষ্ট্ৰ ৰজাই সেই বাতৰি পায় খেদ কৰিছিল যে "মোৰ পুত্ৰ দুৰ্য্যোধনে কেতিয়াও ৰাতি দৈ খোৱা নাছিল, কিয় তাৰ অকাল মৃত্যু হল।" এই নিমিত্তে ৰাতি দৈ খোৱা নিষেধ, কিন্তু কোনো সময়ত খাব লগা হলেও লোন কিম্বা পানী মিহলি কৰি খাব লাগে, তাত সিমান দোষ নহয়। কিন্তু সেই বুলি সদায় নেখাব।

## ছানা।

গাখীৰ তপত কৰা সময়ত অল্প টেঙ্গা বা ঘোল মিহলালে পানী বিলাক বাহিৰ হৈ যি গাখীৰ ফাটি উঠে তাৰ নাম ছানা। ইয়াৰ দ্বাৰা ৰচগোল্লা ও সন্দেশ প্ৰভৃতি মনোহৰ খাদ্য বস্তু বোৰ কৰা হয়। ছানা মাংশপেশীৰ বলবৰ্দ্ধক, পুষ্টিকাৰক, বায়ুবৰ্দ্ধক, অত্যন্ত গুৰুপাকী, ৰুক্ষ ও মলমূত্ৰ ৰোধক।

## ক্ষীৰ।

গাখীৰ উতলাই ঘন কৰি তাতে চিনি পেলাই দি ঘন কৰি ৰাখিলে তাকে ক্ষীৰ বোলে। ই নিদ্ৰাকাৰক, পুৰুষত্ব বৰ্দ্ধক, বায়ু প্ৰশমক ও গুৰুপাকী।

## ঘৃত বা ঘিঁউ।

ননী আৰু মাখন তপত কৰিলে বা মথিলে যি উঠে তাকে ঘিঁউ বোলে। ই অতি উত্তম পবিত্ৰ বস্তু। ইয়াৰ দ্বাৰা অনেক খোৱা বস্তু তৈযাৰ হয়, আৰু দৈবিক পৈতৃক কাৰ্য্যাদিও কৰা হয়। ম'হৰ ঘিঁউত কৈ গৰুৰ ঘিঁউ বেছি প্ৰশস্ত। ইয়াক খালে

দেখা শক্তি বেছি হয়। ই বলকাৰক, পৰিপাকে মধুৰ ও বাত-পিত্ত হাৰক।

## গোগৃহ অৰ্থাৎ গোয়ালি ঘৰ নিৰ্ম্মাণ।

থকা ঘৰৰ ওচৰত, ব'দৰতাহ লগা ওখঠাইত পূৰ, পশ্চিম বা দক্ষিণ ফালে গোয়ালি ঘৰ কৰিব লাগে। উত্তৰ ফালে কৰিলে তাত বেছি কৈ গৰু নেবাঢ়ে, আৰু গৰুৰ সদাই বেমাৰ হৈ থাকে। ইয়াৰ চাৰিও ফালে খিৰিকি ৰাখিব লাগে, তেহে বতাহ লাগি দুৰ্গন্ধ, দাঁহ মহ প্ৰভৃতি বাহিৰ হব পাৰে। ঘৰটীৰ মজিয়াখন ওখকৈ বান্ধি দিব লাগে যেন মুতিলে ওলাই যাব পাৰে। মাজত গাঁত থাকিলে গোবৰ মুত প্ৰভৃতি জমি দুৰ্গন্ধ ওলায়, আৰু স্বাস্থ্যহানি হৈ নানা ৰোগ উৎপন্ন হয়। বঙ্গদেশৰ কালে মুকলি পথাৰত গোয়ালি ঘৰ বান্ধে, কিন্তু সেইটী ভাল কাম নহয়, কিয়নো ৰাতিৰ ভিতৰত কোনো ভাল বেয়া হলে মানুহে খবৰ নে পায়। এই নিমিত্তে মানুহৰ ওচৰতে গোয়ালি ঘৰ থাকিব লাগে। অসমত এইটী নিয়ম ভাল, নিজ বস্তিৰ ভিতৰতে গোয়ালি ঘৰ কৰে। গোয়ালিৰ দুয়াৰ মুখ উত্তৰ বা পূৰ ফালে হব লাগে। অতি কমে ১০০ হাত অন্তৰত গোবৰ পেলাব লাগে, তেহে গৰুই গোন্ধ নেপায়। মানুহৰ বিষ্ঠাৰ গোন্ধ মানুহৰ যেনে অসহ্য গোবৰৰ গোন্ধও গৰুৰ পক্ষে তেনে অসহ্য। গোয়ালিত সদাই গধূলি সময়ত ধোৱা দিব লাগে তেনেহলে বসন্ত প্ৰভৃতি কোন শকত ৰোগ হঠাৎ উপস্থিত হব নোৱাৰে। দুৰ্ব্বল ৰোগী আৰু ক্ষীণ গৰু বোৰক বান্ধিব নেলাগে। বান্ধি থোৱা ঠাইত মৰিলে হিন্দূ-

শাস্ত্ৰমতে নিমিত্ত বধৰ প্ৰায়শ্চিত্ত লাগে। বাঘ আদি হিংসুক জন্তুৱে যাতে গৰু নষ্ট কৰিব নোৱাৰে, সেই বিষয় সদায় সাৱধান হব লাগে। পালনৰ দোষত গৰু মৰিলে অপালন প্ৰায়শ্চিত্ত লাগে।

## চিকিৎসা-প্ৰণালী।

গৰু চিকিৎসা কৰিব লগা হলে প্ৰথমে গৰুটীৰ কি কাৰণে কি ৰোগ হৈছে সেইটো ভাল কৈ পৰীক্ষা কৰি চাব লাগে। ইয়াত তলত দিয়া দৰে লক্ষণ বিলাক মিলাই ৰোগ ঠিক কৰিলৈ ঔষধ খুৱাব। ঔষধৰ পৰিমাণ ঠিক কৰি লৈ চিকিৎসা কাৰ্য্যত ধৰিব। এই বিষয় আয়ুৰ্ব্বেদত আছে—

ৰোগমাদৌ পৰীক্ষেত ততোনন্তৰমৌষধং।<br>
ততঃ কৰ্ম্মভিষক পশ্চাৎ জ্ঞানপূৰ্ব্বং সমাচৰেৎ॥

মানুহৰ ৰোগ দেখি নাৰি চাই আৰু প্ৰশ্ন শুধি নিৰ্ণয় কৰা যায়। কিন্তু গৰুৰ হলে লক্ষণ দেখাত বাহিৰে আন উপায় নাই, এনে স্থলতো যদি সুস্থিৰভাবে চাই ৰোগ নিৰ্ণয় নকৰাকৈ ঔষধ দিয়া যায় তেনেহলে সেই চিকিৎসাত হঠাৎ ব্যতিক্ৰম হৈ অনিষ্ট হলে পাপভাগী হব লাগিব। এই নিমিত্তে অতি সাৱধানে চিকিৎসা কৰা উচিত। যদি প্ৰথমে কোনো এটী ৰোগ উপস্থিত হৈ পিছত আন কোনো উপসৰ্গ উপস্থিত হয় তেন্তে তুমি বিবেচনা কৰি মূল ৰোগ চিকিৎসা কৰিব এৰি উপসৰ্গ নিবাৰণৰ চেষ্টা কৰিবা। নহলে হঠাৎ প্ৰাণ নাশৰ সম্ভব। উপসৰ্গ নিবাৰণ হলেহে মূল ৰোগৰ চিকিৎসা কৰিবা।

যেনে প্ৰথমে গৰু এটীৰ বসন্ত হ'ল সেই ৰোগ উপশম নোহোৱাতে যদি আন এটা বেমাৰ হয়, তেন্তে সেই আন ৰোগটীকে উপসৰ্গ বোলে। যেতিয়া উপসৰ্গ হয় তেতিয়া সেই উপসৰ্গটী সামান্য নে বিশেষ তুমি বিবেচনা কৰি চোৱা। যদি বিশেষ ৰকমৰ হয় তেনেহলে মূল ৰোগৰ চিকিৎসা এৰি উপসৰ্গকে চিকিৎসা কৰিবা। যদি সামান্য ৰকম হয় তেনেহলে উভয় ৰোগৰে মিহলিভাবে চিকিৎসা কৰিবা। মূল কথাঃ—এটী ৰোগ উপস্থিত থকাত যদি আন এটা ৰোগ হয় তাকে উপসৰ্গ বোলা যায়।

## ঔষধৰ মাত্ৰা নিপৰূপণ।

ৰোগ বিলাকৰ চিকিৎসাৰ ঠাইত যিবিলাক ঔষধৰ পৰিমাণ লেখা হৈছে সেই বিলাক পূৰ্ণমাত্ৰা। সেই পূৰ্ণমাত্ৰা পূৰ্ণবয়স্ক, বলী গৰুৰ পক্ষে। ছমাহ পৰ্য্যন্ত গৰুক আঠভাগৰ এভাগ মাত্ৰা কৰি খুৱাব। ছমাহেৰ পৰা এবছৰ লৈকে চাৰি ভাগৰ এভাগ মাত্ৰা, এক বছৰৰ পৰা দুই বছৰ পৰ্য্যন্ত দুভাগৰ এভাগ মাত্ৰা, দুই বছৰৰ পৰা তিনি বছৰৰ লৈকে চাৰিভাগৰ তিনিভাগ তাৰপৰ ওপৰ হলে পূৰ্ণমাত্ৰা খুৱাব। বুঢ়া দুৰ্ব্বল ও ক্ষীণ গৰুৰ পক্ষে অৰ্দ্ধমাত্ৰা ব্যবহাৰ কৰিবা।

## ঔষধ সেবন বিধি।

ছমাহৰ কম বয়সৰ গৰুক কেতিয়া ও আফিং নুখুৱাব। আফিং থকা ঔষধ খুৱাব লাগিলে আফিং বাদ দি বাকী কেই বেবিধ খুৱাব। যি ঔষধ তোমাৰ দৰকাৰ তাৰ যদি গোটেই

বস্ত নোপোৱাও তেন্তে পোৱা কেইবিধকে লগ কৰি খুৱালেও কিছু ফল হব। সম্পূৰ্ণ হলে বিশেষ ফল হব। গুড়া নাইবা বতা ঔষধ বোৰ কলৰপাত কিম্বা ডমৰুৰ পাতত মেৰিয়াই খুৱাবা। জুলীয়া বোৰ ঔষধ গিলাচ নাইবা বাঁহৰ চুঙ্গাত ভৰাই গৰুটোৰ মুখ মেলি লৈ লাহে লাহে ধালি দি মুখ জপাই ওপৰ মুখকৈ ৰাখি ঔষধ গিলিলে এৰি দিবা। বেগাই ধালি দিলে দম বন্ধ হৈ বিপদৰ আশঙ্কা। সামান্য ৰোগত নিতৌ পুৱা এক বাৰ কৈ ঔষধ খুৱাবা। কিছু বেছি হলে পুৱা দুপৰীয়া আৰু গধূলী তিনি পালিকৈ খুৱাবা। শকত ৰোগত দুই তিনি ঘণ্টা অন্তৰত খুৱাবা। সকলো ৰোগৰ ঠাইত এইবোৰ লিখিলে পুথিৰ আকাৰ ডাঙ্গৰ হোৱাৰ ভয়ত ইয়াতে থোলোচাকৈ লিখিলো। পাঠক এইবোৰ কথা ভালকৈ মনত ৰাখি চিকিৎসা কৰিবা, আওহেলা কৰি যদি অনিয়মিত কৈ খুওৱা তেন্তে ব্যতিক্ৰম হৈ গৰু মৰিলে পাপভাগী হবা।

---

## দ্বিতীয় অধ্যায়।

### হাঁচি ও কাঁহ।

লক্ষণ :—(১) গৰুৰ নাক বা মুখত ধান আদিৰ শুং সোমালে অত্যন্ত হাঁচি ও কাঁহ হয়। ইয়াত বিশেষ কোনো লক্ষণ নাই, কেবল মুৰটো লত পতায় আৰু নাক জাঁজিৰাই থাকে।

(২) কিন্তু পাণী লাগি হাঁচি ও কাঁহ হলে নাকে মুখে লাল পৰে, গা গধুৰ হয়; লৰচৰ কৰিবৰ ইচ্ছা নকৰে, মুৰ ভাৰী হয় গতিকে তল মুৰ কৰি থাকে, গা কিছু গৰম হৈ জৰভাব হয়, যাঁহ পাণী খাবৰ বিশেষ ইচ্ছা নকৰে।

চিকিৎসা ঃ—১ম বিধত মুৰৰ শিং দুটীৰ মাজৰ গাতটীত দুই তিনি দিন সৰিয়হৰ তেল ভালকৈ মালিশ কৰি দিলে ভাল হয়।

ছৰ্দ্দি লাগি হাঁচি কাঁহ হলে বহুন নাইবা বন নহুৰৰ ৰস নাকত সোমাই দিলে আবদ্ধ হৈ থকা শ্লেষ্মা বাহিৰ হৈ ভাল হয়। কিম্বা এই দুই বিধৰ এবিধ পুৰি খুৱালেও কমে।

অথবা তেজামইৰ ছাল, জাবৰাঙ, আদা, জলকীয়া সমানে লগ কৰি বতি একতোলা পৰিমাণে খুৱালে ছৰ্দ্দি কমে। পথ্যাপথ্যৰ নিয়ম নাই।

## ফুলা অৰ্থাৎ ফিকা।

লক্ষণ ঃ—গৰুৰ শৰীৰত বাত বিষ থাকিলে ঠাইয়ে ঠাইয়ে ৰস জমি ফিকি উঠে। কোনো ঠাইত আঘাত লাগিলেও ফিকি উঠে।

চিকিৎসা ঃ—গৰুৰ কোনো ঠাইত ফিকিলে লোহাৰ শলা ভালকৈ তপত কৰি দাগ দিব। হিন্দুশাস্ত্ৰমতে ই নিষেধ হলেও প্ৰাণ ৰক্ষাৰ নিমিত্তে দোষ নাই। কিম্বা মুছলমানৰ দ্বাৰা দাগিব।

ঔষধ ঃ—ধুতুৰাৰ আগ, পছতিয়াৰ আগ, দ্ৰোণপুষ্পৰ পাত, জঙ্গলি ভাঙ্গৰ পাত, পছাকলৰ মধা, কলৰ বাকলি পোৰা ছাই,

সকলো লগ কৰি বতি তপতাই ফিকা ঠাইত লগাই বান্ধি দিব। বান্ধিব নোৱাৰিলে ভালকৈ কেই দিন মান মলি দিব।

## পেটফিকা বা ধাকা ভোকোলা।

দূষিত ঘাঁহ পাণী বা বায়ু ভিতৰ সোমালে বায়ু কুপিত হৈ মল মূত্রাদি বন্ধ হৈ পেট ফিকে। আসুৰিক মতে ইয়াকে ধাকা ভোকোলা বোলে।

লক্ষণ :—পেট টানি ধৰে, ধৰফৰ ছটফট কৰে, মলমূত্র বন্ধ হয়। আৰু উশাহ ঘন হয়।

চিকিৎসা :—ইয়াত হজমি, কিম্বা মূত্রকাৰক নাইবা বেচক ঔষধ খুৱাব।

ঔষধ :—(১) কদমগছৰ পাতৰ ৰস আধাপোৱা খুৱালে পেট ফিকা কমি যায়।

(২) গুড় আধাপোৱা, কেছা হালধি এক ছটাক বতি মিহলাই খুৱালেও হাগা মূতা হৈ ফিকা কমে।

পথ্য :—দুই তিনি দিন অলপ অলপকৈ কোমল ঘাঁহ, আৰু ভাতৰ পাণী প্রভৃতি লঘু আহাৰ খুৱাব।

## পেটৰ কামোৰ।

কাৰণ :—আমজনক দ্রব্য বেছিকৈ খালে পেটৰ কামোৰ হয়।

লক্ষণ :—পেটৰ কামোৰ হলে গৰুৰ হাগা মূতা অলপ পৰিমাণে হয়। কোনো গৰুৰ বন্ধও হয়। ছট্‌ফট্‌ কৰি থাকে, হাগিবৰ সময় কুজাপৰি বল দিয়ে, যন্ত্রণা হোৱা গতিকে উঠা-উঠি কৰে আৰু ভৰি টানে।

চিকিৎসা ঃ—প্ৰথমে আম পৰিপাক হোৱা ঔষধ খূৱাব।

ঔষধ ঃ—(১) সোমৰাজ ৩ টোলা, ইন্দ্ৰযব ৩ টোলা, বচি কাথৰ শিপাৰ ছাল ৪ টোলা লগ কৰি বতি তিনি পালিকৈ খূৱালে ভাল হব।

(২) আমচকুৰা বা চেঙ্গেৰি টেঙ্গাৰ পাত ভালকৈ ধুই ৰস উলিয়াই গৰুৰ চকুত দিলে পেটৰ কামোৰ কমে।

(৩) মহিয়া আল্লি, শাঁওপাত, তেতেলিৰ কুঁহিপাত লগ কৰি জুই দি দুই তিনি দিন খূৱালে ভাল হব।

(৪) ৰঘুমালা গছৰ পাতৰ ৰস দু ছটাক, গুড় দু ছটাক লগ কৰি খূৱালেও পেটৰ কামোৰ গুচে।

(৫) কদম পাতৰ ৰস আধাপোৱা এক ছটাক গুড়ৰ লগত খূৱালে ভাল হব।

হাগা বন্ধ হলে ডাবৰ পাণী দুই সেৰ তপতাই খূৱালে খোলোছা হব।

পথ্য ঃ—ভাতৰ মাৰ নোন মিহলাই খূৱাব আৰু কোমল ঘাঁহ খূৱাব।

## তলপেট ফিকা।

কাৰণ ঃ—অনিশ্চিত।

লক্ষণ ঃ—গৰুৰ তল পেট ফিকিলে উশাহ নিশাহ ঘন হয়। কোনো সময়ত প্ৰায় বন্ধ হোৱাৰ নিচিনা হয়। পেট কিছু ডাঙ্গৰ হয়। কাণ ওলমি পৰে লেজ লৰাব নোৱাৰে আৰু হাগিব, মূতিবলৈ চেষ্টা কৰা যেন দেখা যায়। কোনো গৰুৰ গোবৰ দুৰ্গন্ধ হয়, অলপ ৰঙ্গাও দেখা যায়।

ঔষধ:—(১) শুঠঁ চুর্ণ ২ টোলা, গুড় আধাপোৱা, সৈন্ধব লোন ডেৰ পোৱা, ১০টা জালুক চুৰ্ণ, জথাৰ আধাছটাক, গন্ধক চুৰ্ণ ৪ টোলা এই সকলো লগ কৰি /১ একসেৰ অলপ তপত ভাতৰ মাৰত মাৰি খুৱালে শৌচ খোলোচা হৈ ৰোগ ভাল হব।

(২) কেছা হালধি ডুই ছটাক, গুড় ডুই ছটাক, যমানি ডুই ছটাক লগ কৰি বতি খুৱালে ভাল হব।

পথ্য:—লোন মিহলাই ভাতৰ মাৰ, ভাত ও কোমল ঘাঁহ দিব।

## গ্ৰহণী বা ছেৰাণী ধৰা।

কাৰণ:—দূষিত পাণী, দল ঘাঁহ প্ৰভৃতি ৰসাল ঘাঁহ, কিম্বা কোনো ৰকম বিষাক্ত বস্তু খালে গৰু বিলাকৰ ছেৰাণী ধৰে। আসুৰিক মতে ইয়াকে ছেৰাগীয়া ভোকোলা বোলে। আমাৰ দেশত প্ৰায়ে ব'হাগ জেঠ মাহত ও আহিন কাতি মাহত এই ৰোগ বেচিকৈ হয়। ব'হাগ জেঠত কোমল ঘাঁহ আৰু আহিন কাতি মাহত দল ঘাঁহ আৰু দূষিত পাণী খোৱাৰ কাৰণে এনে হয়। ইয়াৰ শীঘ্ৰে চিকিৎসা নকৰিলে মৰি যায়।

লক্ষণ:—ঘনে ঘনে বায়ুৰে সৈতে ভেদ হয়। প্ৰথমাবস্থাত বিশেষ মলবেগ বা বেদনা না থাকে, ক্ষুধা মন্দ হয়। দিনে দিনে বল হানি হৈ আছে। খীৰতী গাইৰ গাখীৰ কমি যায়, স্বাস্থ্য হানি হয়, আৰু ক্ৰমে পেট বেদনা হয়। কোনো সময়ত আম ও ৰক্ত বাহিৰ হয়। কোনো গৰুৰ অতিসাৰ

পেট হৰহৰাই মাতে, বৰ পিয়াহ লাগে. পাণী খালে হজম নহয়, অগ্নিমন্দ হয়, খোৱা বস্তু পাক নাপায় আৰু লাহে লাহে ক্ষীনাই মৰি যায়।

চিকিৎসা ঃ—প্ৰথমে গৰু চৰা ঠাই, খোৱা বস্তু পাণী আৰু বন্ধা ঠাই সলাব। পিছত তলত লেখা ঔষধৰ বিবেচনা কৰি যেই সেই এটা খুৱাব।

ঔষধ ঃ—(১) আফিং ।৵০ আনাৰ ভৰ চিৰতাৰ গুড়া তিনি মহা, বৈথ মাটীৰ গুৰা ডেৰ মহা, পলাশ গছৰ ধুনা তিনি মহা, এই সকলো ভালকৈ লগ কৰি এক সেৰ ভাতৰ মাৰৰ সৈতে খুৱাব। পেটত বেদনা থাকিলে বা শৌচৰ বেগ বেছি হলে আফিং ডেৰমহাৰ ঠাইত তিনিমহা দিব। এই ঔষধ ধাৰক ও অম্লনাশক। (২) মাটীমাহৰ গুড়া এক ছটাক নূতন খোলাৰ গুড়া এক তোলা, ধনীয়া ও জীৰা সেই পৰিমাণ, আফিং এক মহা লগ কৰি খুৱাব।

ঔষধ খুৱাৰ পিছতো যদি ভেদ বন্ধ নহয় তেন্তে বৈথ মাটীৰ গুড়া এক ছটাক খয়েৰৰ গুৰা আঢ়ৈ তোলা আদাৰ গুৰা তিনি মহা আফিং ডেৰ মহা, সকলোকে ডেৰ পোৱা পাণীত ভালকৈ মাৰি খুৱাব।

পথ্য ঃ—ৰোগ কঠিন হলে কেৱল ভাতৰ মাৰ নাইবা কলা মাহ প্ৰভৃতিৰ চোকোলা খুৱাব। অথবা তিসিৰ মাৰ ও ভাতৰ মাৰ লগ কৰি খুৱাব! ৰোগ ভাল হলেও কিছুদিন লৈকে উত্তম স্বাস্থ্যকৰ আহাৰ খুৱাব।

অতি দুৰ্ব্বল হলে তলত দিয়া বলকাৰক ঔষধ দিলে এক-

বলকাৰক ঔষধ।

আদাৰ গুড়া তিনিমহা, লোন তিনিমহা, জালুকৰ গুড়া তিনিমহা, চিৰতাৰ গুড়া তিনিমহা, যমানীৰ গুড়া তিনি মহা, মিঠাই আধা ছটাক লগ কৰি তপত ভাতৰ মাৰত মাৰি খুৱাব।

গ্ৰহণী সামান্য হলে বাহঁৰ পাত খুৱালেও ভাল হব।

ৰক্তামাশয়।

কাৰণ ঃ—গ্ৰহণী ৰোগৰ চিকিৎসা নকৰিলে শেষত কোনো কোনো গৰুৰ ৰক্তামাশয় জন্মে। কোনো গৰুৰ গ্ৰহণী নোহোৱা কৈও আমজনক বস্তু খালে ৰক্তামাশয় জন্মে। এই ৰোগ হোৱা মাত্ৰে চিকিৎসা নকৰিলে আৰোগ্য হোৱা টান। অধিক কৈ গাখীৰ খালেও দামুৰীৰ এই ৰোগ হয়।

লক্ষণ ঃ—এই ৰোগ হলে ৰক্ত মিশ্ৰিত পনীয়া ভেদ হয়, বিজল মিহলি থাকে। দপনা বহি যায়, পেটত বেদনা হয়, শৌচ কৰাৰ সময়ত বল দি কুজা পৰে, শৰীৰ ক্ষীণ ও দুৰ্ব্বল হয়, ক্ষুধা মন্দ হয়, নিয়ম মতে খাব নোৱাৰে, প্ৰায় শুই থাকে, উঠিবৰ শক্তি নেথাকে, নাক কাণও ভৰি শীতল হয়, চক্ষু বহি যায়, গা শিহৰে, আৰু ক্ৰমে জকা ওলাই যায়।

চিকিৎসা ঃ—প্ৰথমে হজমী হোৱা ও ক্ষুধা বঢ়োৱা ঔষধ খুৱাব। যেনে ঃ—কিছু ধনিয়া নাইবা জীৰা বটি খুৱাব। নাইবা সাঁওপাত বা মহিয়া আল্লি জুই দি খৱাব। তাতো যদি কম নহয় তেনেহলে তলত দিয়া ঔষধ খুৱাব। যেনে ঃ—আফিং ৶০ আনা, সফেদা আধা ছটাক, খৰিমাটীৰ গুড়া এক

পুৱাই একবাৰ কৰি খুৱালে অলপ দিনৰ ৰোগ ২।৩ দিনতে গুছে। বেছি দিনৰ ৰোগ হলে বেছি দিন খুৱাব। ৰোগ গুচাৰ পিছতো দুৰ্ব্বল থাকিলে এই ঔষধ খুৱাব যেনে :—লোন এক ছটাক, জালুকৰ গুড়া তিনি মহা, আদাৰ গুড়া তিনি মহা, যমানীৰ গুড়া তিনি মহা, চিৰতাৰ গুড়া তিনি মহা মিঠাই আধা ছটাক, সকলোকে ভালকৈ লগ কৰি ১ টোলা পৰিমাণ অলপ গৰম ভাতৰ মাৰত মাৰি দিনৌ দুই ৰোজকৈ ৪ দিন খুৱালে ভাল হব।

পথ্য :—ভাতৰ মাৰ কোমল ঘাঁহ প্ৰভৃতি লঘু বস্তু খুৱাব। শুকান ঘাঁহ খলিহৈ প্ৰভৃতি কঠিন বস্তু খাব নিদিব।

## সুটী ৰোগ।

লক্ষণ :—গৰুৰ নাকত এক প্ৰকাৰ অঙ্কুৰ জন্মে। মানুহৰ এতোঁ হোৱাৰ দৰে নাকৰ ভিতৰ বন্ধা পৰে। অত্যন্ত হাঁচি ও কাঁহ হয়।

ঔষধ :—মুৰৰ শিঙৰ মাজৰ গাঁটটীত সৰিয়হৰ তেল ভৰাই দিলে আৰোগ্য হব।

## আঘাত লগা চিকিৎসা।

গৰুৰ গাত কোনো প্ৰকাৰ আঘাত লাগিলে নাইবা কোনো অঙ্গ মোটোকা খালে সেই ঠাইত জখাৰ আৰু নিষাদল সমানে লগ কৰি পাণীত গুলি ১ খণ্ড কাপোৰ সেই পাণীত ভিজাই বান্ধি দিলে ভাল হব।

## ঘুটী ৰোগ।

গৰুৰ শৰীৰত ঘুটীৰ ১ ৰোগ উঠিলে তাকে ঘুটী ৰোগ

বোলে। দামুৰিৰ এই ৰোগ বেছিকৈ হয়। এই ৰোগ প্ৰথমে মুখত হৈ ক্ৰমে সকলো অঙ্গতে হয়। এই ৰোগে গৰুক বিশ্ৰী কৰে। ৰোগ হোৱা ঠাই খিনি শক্ত হয়, আৰু ফিকি উঠে।

চিকিৎসা :—লোম উঠা ঠাই খিনিত ঘৰমোচা সপতি ঘুঁহি দিলে ভাল হব। অথবা গোবৰ শুঠাৰ ছাই ঘুঁহি ৩।৪ দিন দিব।

আৰু এক প্ৰকাৰ ঘুটি ৰোগ আছে ই বৰ কঠীন। সেই ৰোগ হলে প্ৰথমে সেই ঠাইৰ লোম উঠে, আৰু মানুহৰ থৰৰ দৰে চকা চকা হৈ ৰঙ্গা হয়, ক্ৰমে পলম হৈ আহিলে কলা হয়, পিছত আন্ধকাতৰা দিয়াৰ নিচিনা দেখা যায়। কেতিয়াবা সেই ঠাই ফাটি ঘা হোৱাৰ নিচিনা হয়। কিন্তু উপৰোক্ত ঘুটীৰ নিচিনা সেই ঠাই ফিকি নুঠে।

চিকিৎসা :—কেলি কদমৰ ছাল, আৰু হালধি, সমানে লৈ বাহি হোকাৰ পাণীত বটি নিতৌ দুই বাৰকৈ লেপ দিব। ১৪।১৫ দিন এই ঔষধ ব্যবহাৰ কৰিলে নিশ্চয় আৰোগ্য হব। কিন্তু নিতৌ নতুন ঔষধ তৈয়াৰ কৰি দিব। বাহি ঔষধ নিদিব।

## গাঠিয়া বাত।

দূষিত ৰস জমি ভৰিৰ গাঠিত ফিকি উঠিলে তাকে গাঠিয়া বাত বোলে।

চিকিৎসা :—বেদনা হোৱা ঠাইত লোহা তপতাই দাগ দিব। কিম্বা তাৰ্পিন তেলত কপাহ ভিজাই সেই ঠাইত কাপোৰেৰ ভালকৈ বান্ধি দিব। অস্ত্ৰ কৰি আবদ্ধ ৰস বাহিৰ কৰিও

## বাত বিহ।

লক্ষণ ঃ—দূষিত তেজ জমি সৰ্ব্ব শৰীৰতে বেদনা কৰে, আৰু কোনো কোনো ঠাইত ফিকি উঠে। লৰি চৰি ফুৰিব নোৱাৰে। ই শৰীৰৰ আধা ভাগত হলে অৰ্দ্ধাঙ্গিক বাত বোলে। কোনো এক অঙ্গত হলে একাঙ্গি বাত বোলে।

চিকিৎসা ঃ—প্ৰথমে বিৰেচক ঔষধ খুৱাই শৌচ পৰিষ্কাৰ কৰি দিব। আৰু লোহা তপতাই সেই বিলাক ঠাইত দাগ দিব। কৰ্পূৰ আৰু আফিং প্ৰত্যেক আধা মহা পৰিমাণে লগ কৰি দিনে এক বাৰকৈ খুৱাব। আৰু কৰ্পূৰ, আফিং আৰু তাৰ্পিন তেল সমানে লগ কৰি বেদনাৰ ঠাইত মলি দিলে ভাল হব।

ভালুকা ৰোগত লেখা ঔষধটোও বাত বিহত খাটে ছোৱা শিমলীৰ ছাল আৰু বৰুণৰ ছাল, তিনিকো বতি আদাৰ ৰসৰ লগত তপতাই বেদনা হোৱা ঠাইত লেপ দিলে ভাল হব। সুবিধা হলে কাপোৰেৰে বান্ধি দিব।

অথবা শিমলীৰ ছাল, বাঘনলাৰ ছাল, উইৰ মাটী, ভলুকা বাঁহৰ পাত খুন্দি সেই ৰস তপতাই ঘৰ সাৰা বাহনীৰে বেদনা হোৱা ঠাইত চতিয়াই দিব।

# আসুৰিক মতে কিছুমান ৰোগৰ চিকিৎসা।

## চাৰ ভোকলা।

লক্ষণ ঃ—গৰুৱে ঘাঁহ খাই চাৰ পালে কাস হয় আৰু হিহিনী ধৰে সেই নিমিত্তে আসুৰিক মতে তাক চাৰ ভোকোলা বোলে।

ঔষধ :--বেজকচু, গন্ধছানা, ছেঙ্গামোৰ তিনি বিধৰ আলু তিনি খণ্ড, কলৰ বাকল আৰু নাৰিকলৰ বাকল পোৰা ছাই, প্ৰত্যেকে এক এক তোলা, কেইটী মান জাবৰং, আৰু জলকীয়া, এই সকলোকে ভালকৈ বটি, ডমৰুৰ পাত বা কলৰ পাতত মেৰাই খুৱালে ভাল হব।

## জিনা ভোকোলা।

লক্ষণ :—গলত তোতোলা হয়, ঘাঁহ বমি কৰে, গৰুটী ক্ৰমে ক্ষীণ আৰু ঘাহঁ খাব নোৱাৰে।

ঔষধ :—শাওলা গছৰ ছাল, কৰিঙ্গাৰ ছাল, ইহাৰ মূল, জঙ্গলি ভাঙ্গৰ আগ, বাবা বাখৰ, প্ৰত্যেক একতোলা পৰিমাণে লগ কৰি বটি খুৱাব।

## ঢাকা ভোকোলা।

লক্ষণ :—কোনো বিষ ভিতৰ সোমালে, নাইবা বেছিকৈ ঘাঁহপাণী খালে হঠাৎ গৰুৰ হাগা মুতা বন্ধ হৈ পেট ফিকাই ধৰে, আৰু উৱাহ লব নোৱাৰে, আসুৰিক মতে তাকে ঢাকা ভোকোলা বোলে। নিদানিক মতে ইয়াক পেট ফিকা বেমাৰৰ ভিতৰত ধৰা হয়।

ঔষধ :—পেট ফিকা বেমাৰৰ লগত লেখা আছে। এতিয়াও কিছু লেখা হব। সম্প্ৰতি এটী জাৰা মন্ত্ৰ লিখিলো। কনি বিহৰ পাতেৰে এই মন্ত্ৰৰ দ্বাৰা জাৰিব। মন্ত্ৰ যেনে :— উদৈগিৰিত আছিল সগুনী গুহা গিৰি পৰ্ব্বতক যাই, দুটো সিংহে টোক টোকাই। চাৰি খুৰা কহু ঝুহু বাজে ঢাকা

ঔষধ :—(১) আদাৰ গুড়া আঢৈ ছটাক, জালুক আঢৈ ছটাক, তপত পানী আঢ়ৈ সেৰত মাৰি খুৱাব। ঢাকা ডুম্‌ৰুৰ গুটীৰ ৰস খুৱালেও ভাল হয়। (২) কলৰ বাকলিৰ খাৰ, ৰঙ্গা বাহকাৰ পাতৰ ৰস, দুইকো সমানে লগ কৰি খুৱাব।

আদাৰ ৰস এক ছটাক, এক ছটাক গুৰত মাৰি খুৱাব।

(৪) ধাকা ডুমৰুৰ গুটীৰ ৰস এক ছটাক, এক ছটাক গুৰত মাৰি খুৱাব।

(৫) কাছা হালধিৰ গুড়া এক ছটাক আধা পোৱা গুড়ত মাৰি খুৱাব।

(৭) পেট ফিকা বেছি হলে সৈন্ধৱ লোন দেৰ পোৱা, জথাৰ আঢৈ টোলা, আদাৰ গুড়া ২ টোলা, গন্ধকৰ গুড়া চাৰি টোলা, জালুক দহ গোট, সকলোকে বটি আধা পোৱা গুড়ত মাৰি খুৱাব।

## খোৰা ভোকোলা।

লক্ষণ :—গৰু খোৰাই ফুৰে, ঘাঁহ খাব নোৱাৰে, আসুৰিক মতে তাকে খোড়া ভোকোলা বোলে।

ঔষধ :—(১) নাঙ্গল ভাঙ্গাৰ ছাল, বন জবাৰ ছাল, গড় খঙ্গাৰ চন্দন এই তিনিকো সমানে লগ কৰি বটি এক টোলা পৰিমানে খুৱাব।

(২) মাটি কঞ্জাৰ পেটা, কাওৰা ভেদেলীৰ শিপা, কাঠ-খোঙ্গিয়াৰ পাত, গুনবাজ, জাবৰাং, জলকীয়া, প্ৰত্যেক সমানে লগ কৰি বতি এক তোলা পৰিমানে খুৱাব।

## চৌৰাঙ্গি ভোকোলা।

ঔষধ ঃ—ডুমকৰ আগ, ছাতিয়াণৰ ছাল ও আগ, সেই গৰুটীৰে খুৱাৰ মাটি, আৰু লেজৰ গোফেলী প্ৰত্যেক সমানে লগ কৰি বটি এক তোলা পৰিমানে খুৱাব।

## সুখুনা ভোকোলা।

লক্ষণ ঃ—গৰুটী কঁাহি থাকে, ক্ৰমে সুকাই যায়, ভালকৈ ঘঁাহ খাব নোৱাৰে, ইয়াৰে নাম সুকান ভোকোলা।

ঔষধ ঃ—আঠিয়া কলৰ বাকল, নাৰিকলৰ বাকল, খহুৱা ভেকুলী, সৰু মানমনি, বৰ মানমনি, হাচুটী বনবেহাৰ, ছানা কছুৰ বোগা এক বেগত, এই সকলোকে পুৰি এক তোলা পৰিমানে ছাই খুৱাব।

(১) এই ঔষধ ছেৰেনী ধৰাতো খুৱাব পাৰে, কিন্তু আছুকাঠৰ পাত বা বৰ মইনৰ পাত জুই দি তাৰ বসত মাৰি খুৱাব।

## হিহেনীয়া ভোকোলা।

লক্ষণ ঃ—অত্যন্ত হিহেনী হয়, আৰু ঘঁাহ খাব নোৱাৰে, ইয়াকে হিহেনী ভোকোলা বোলে।

ঔষধ ঃ—আঠিয়া কলৰ বাকল, নাৰিকলৰ বাকল, বনশঠ, জাতি শঠ, লাইতৰু, বৰাই নোখোৱা কছুৰ আলু, সকলোকে পুৰি ছাই কৰি এক তোলা পৰিমানে কিছুদিন খুৱালে ভাল হব।

## গুইয়া ভোকোলা

লক্ষণ ঃ—খণ্ড খণ্ড কৈ গাৰ ছাল উঠি যায়, আৰু ফাটি উঠে [illegible]

ঔষধ ঃ—(১) বননেহুৰ, কঞ্চা কঠাল, পাঘাৰ গোঠনী এই তিনিকো পুৰি ছাই খুৱাব।

(২) পানী ছেঙ্গেৰি, খুদিয়া হেলামৰ পাত, আমোল কছু গুই সাপৰ ছাল পোৰা ছাই, ধনিয়া, সকলো বটি খুৱাব।

প্ৰলেপ ঃ—মজগছৰ শিপাৰ ছালৰ ৰস, তপত কৰি গাত ঘঁহি দিব আৰু সেই ছাল বটি লেপ দি পিছে ভাল পানীৰে ভালকৈ ধুই পেলাব। এইৰূপ দুই তিনি দিন কৰিব।

## ভোঁহ ঘেনা।

লক্ষণ ঃ—পেট ফিকে, বমি কৰে, অলপ চেবাই, দাতত ঘাঁহ বজে, ইয়াকে ভোঁহ ঘেনা বোলে।

ঔষধ ঃ—কনকচম্পা ও জাতিচম্পা ফুলৰ পাত, মহিয়া আল্লিৰ আগ, আল্লি ঘাঁহ, ডুমৰুৰ আগ, ৰঙ্গা ধেকিয়া, এই সকলো লগ কৰি জুই দি খুৱাই তপত পানী খুৱাব। কেছা পানী খাব নে দিব।

## খুৰ কান্দা।

লক্ষণ ঃ—গৰুৰ এক ভৰিৰ খুৰাৰ মাজত এই ৰোগ হয়। সেইখন ভৰিৰে খোৰাই ফুৰে।

ঔষধ ঃ—ছোৰতৰ গছত থকা লতা চোৰতৰ গছ আনি গধূলি সময়ত সেই ভৰিৰ খুৰাত বান্ধি দিব।

## জখিনি কান্দা।

লক্ষণ ঃ—ভৰিৰ বেঙটীৰ তলত এটা টকাৰ সমান ছাল যায়। খোৰাই ফুৰে।

ঔষধ ঃ—জখিনি লতাৰ পাত বাঘনালৰ ছাল বকুলৰ পাত

এই তিনিকো সমানে লগ কৰি বটি সেই ঠাইত বান্ধি দিলে ভাল হয়।

### খোৰাকান্দা।

লক্ষণ:—ভৰিৰ বেঙটীৰ তলত ৰঙ্গাপৰি ফিকি উঠে, খোৰাই ফুৰে।

ঔষধ:—বকুল গছৰ ছাল, আদা কাতুৰীৰ মুৰা, শিমলীৰ ছাল, সকলো লগ কৰি বটি খুৰাত বান্ধি দিব।

### ভালুকা।

লক্ষণ:—ভৰিৰ খুৰা বাঢ়ি উপৰে ভাজ খাই উঠি খোজ কাঢ়িব নোৱাৰা হয়।

ঔষধ:—গাঠিয়ান, হিং, বিহলঙ, হালিম বাখাৰ, ভালুকৰ হাৰৰ চন্দন, দেৱী তোকানৰ আলু, সকলো সমানে লগ কৰি বটি ১ তোলা পৰিমাণে শনি কিম্বা মঙ্গলবাৰে খুৱাব। ঔষধ খুৱাবৰ সময়ত কাচি এখন ভৰিৰ খুৰাত তোৱাব। এই ঔষধটী মদাৰৰ শিপাৰ ৰস, আৰু ছাগ দুগ্ধৰ লগত খুৱালে বাত বিহো গুছে।

### বেঙ্গাৰোগ।

লক্ষণ:—এই ৰোগত গৰুৰ কান হালি পৰে গা চেঁছা হয় উঠিলে কপে, জিভাৰ শিৰ কলা পৰে।

ঔষধ:—(১) ভুমকৰ গুটী খুৱালে ভাল হয়। (২ ভুমকৰ পাত খুৱালে বা জিভাত ঘঁহি দিলে ভাল হয়। (৩ সৰিয়হ বতি জিভাত প্ৰলেপ দিলে ভাল হয়! (৪) কাচ
[illegible]

ভাল হয়। (৫) বনশঠৰ শিপা ১ তোলা, মুক্তাৰ্বশীৰ শিপা ১ তোলা জালুক ও জৈনী বাখৰ ২ তোলা, আতাইকে গুড়া কৰি আধাসেৰ ভাতৰ মাৰত মাৰি খুৱাব।

মুৰত ভৰ হলে আদা আঢ়ৈ তোলা, জালুক পাচ মহা, হাচুটীৰ লগত বটি ৰস বাহিৰ কৰি গৰুৰ নাকত দিলে কফ বাহিৰ হৈ ভৰ কমিব।

## পোকামাৰা ঔষধ।

গৰুৰ কোনো ঠাইত পোকা লাগিলে (১) কেকন্দিয়া এটা খুৱাই দিলে পোকা মৰে (২) শনি, মঙ্গলবাৰে মাৰা সাপৰ মুৰ গলত আৰ দিলে পোকা সৰি পৰে (৩) টকাৰসুত খোৱা, কন্যাপণ লোৱা, আৰু মুখ লগা মানুহৰ নাম আইঁত গছৰ পাতত আলটাৰে লিখি উলটা নলৰ চুঙ্গাত ভৰাই তিনি ৰবণীয়া সুতাৰে গৰুটীৰ গলত আৰিদি তিনি দিন পোকাৰ ফালে নেচাব, তেন্তে পোকা সৰিব। (৪) পানৰ ৰস, ধতুৰা পাতৰ ৰস, চিনি তিনিকো লগ কৰি পোকা লগা ঠাইত দিলে পোক মৰে। (৫) ফেনাল ডেল, আমৰ ছেছু, শামুক পোৰা ছাই সুৱাগাৰ আথৈ ইয়াৰ এবিধ দিলেও পোকা মৰে। (৬) মৰা মানুহৰ মুৰৰ খোলা গৰুটোৰ গলত আৰি দিলে কিম্বা অল্প গুৱা কৰি খুৱালে পোকা মৰে। (৭) নিমুৰ পাতৰ ৰস তপত কৰি পোকা লগা ঠাই থিনি ভালকৈ ধুই দিলে বা কাৰ্ব্বলিক এচিড লগাই দিলে পোকা মৰে। (৮) আমৰ পাত প্ৰভৃতিৰ তলত ৰবিৰ নিচিলা যিগুটী থাকে তাক বটি দিব। (৯) পুৱাই যাড়ঠি পাণী নোচোৱাকৈ একেতানে উভৰা শুলনাঠ বা আক্ৰা ...চিতৰ শিপা গলত আৰি দিব।

## লেজ ও কাণ চিঙ্গা।

কোনো কাৰণত গৰুৰ কান চিঙ্গিলে লাউ শামুকৰ পাণীৰে কান ধুই দিলে ভাল হয়।

লেজ চিঙ্গিলেও লাউ শামুকৰ পানীৰে ধুব। আৰু মনি কৰা সাপ এটী পুৰি ছাই লেপ দিলে ভাল হব। লেজত ও কাণত কোনো ঘা হৈ চিঙ্গিব খুজিলে চলিত কথায় তাকে মনি-কৰা লগা বোলে। এই ঔষধকে তাতো দিব।

## ৰক্তমূত্ৰ।

ৰক্তৰ দোষে এই ৰোগ জন্মে। খোৱা বস্তু ভালকৈ পাক নহলে ৰক্ত পাতল ও নিস্তেজ হৈ এই ৰোগ হয়।

লক্ষন:—এই ৰোগ হলে প্ৰস্ৰাব ৰক্ত মিশ্ৰিত হয়, গৰু বোৰ ক্ষীন আৰু দুৰ্ব্বল হব ধৰে (ক্ষীৰতী গাইৰ গাখীৰ কম হয়) গা শিহৰি উঠে, ছাল সুকাই যায়, কেতিয়াবা হালধিয়া বৰ্ণও হয়। দুই তিনি দিন হাগা বন্ধ হয়, পিছে আকৌ দুই তিনি দিন ছেৰায়। ভৰিৰ দাপনা বহি যায়, পেত বেদনা কৰে, চেৰানি ধৰা কেই দিন মুতৰ বৰ্ণ স্বাভাবিক থাকে; শৌচ বন্ধ হলে ৰঙ্গা হয় আৰু প্ৰস্ৰাবৰ সময় বেদনা কৰে। ক্ৰমে প্ৰস্ৰাব দুৰ্গন্ধ হয়, চক্ষু বহি যায়, শৰীৰ দুৰ্ব্বল হয়, চকু, মুখ, নাক কান চেছা হয়, নিশ্বাস ঘন হয়, শুই থাকে, আৰু উঠিবৰ ইচ্ছা নকৰে। এই ৰোগ পাছ ছয় দিনৰ পৰা পোন্ধৰ দিন পৰ্য্যন্ত থাকি শেষত মৰে।

চিকিৎসা:—এই ৰোগৰ প্ৰথমতে শতমূলৰ শিপা এক

শৌচ খোলোচা কৰিব যেনে,—আদাৰ গুড়া আঢ়ৈ টোলা, লোন ডেৰ পোৱা, মচন্দৰ তিতা পাচ মহা, গন্ধকৰ গুড়া পাছ তোলা, গুড় আধ পোৱা এই সকলো লগ কৰি এক সেৰ তপত পাণীত মাৰি খুৱালে জুলাপ হব। ইয়াতো জুলাপ নহলে বাৰ ঘণ্টাৰ পিছত আকৌ ইয়াকে আধা পৰিমাণে খুৱাব। বাৰ ঘণ্টাৰ আগে নুখুৱাব। কাৰণ বাৰ ঘণ্টালৈকে জুলাপৰ সময় থাকে, তাতে পুনঃ খুৱালে অতি ভেদ হৈ গৰু মৰি যাব। পূৰ্ণ মাত্ৰায় খুৱালেও তেনে সম্ভব। এই ঔষধত উপকাৰ হলে তলত লিখা বলকাৰক ঔষধ খুৱাব। যেনে (১) আদাৰ গুড়া পাছ মহা, জৈন বা থাৰ পাছ মহা, চিৰতাৰ গুড়া পাছ মহা, জালুকৰ গুড়া পাছ মহা সকলো লগ কৰি চাৰি পালি কৰি নিতৌ পুৱাই একো পালি গুড় আৰু তপত ভাতৰ মাৰত মাৰি খুৱাব।

(২) হিৰাকস ডেৰ মহা, চিৰতাৰ গুড়া পাছ মহা, আধা-সেৰ ভাতৰ মাৰত মাৰি খুৱাব। তিনি চাৰি দিন এই ঔষধ খুৱালে ভাল হব।

পথ্য :—ভাল ৰকম তিসি বা ভাতৰ মাৰ কিম্বা পুষ্টিকৰ কোমল ঘাঁহ খুৱাব।

উপৰোক্ত চিকিৎসা ৰোগৰ প্ৰথম অবস্থাত কৰিব। যদি ৰোগৰ দ্বিতীয় অবস্থাত ভেদ হৈ বন্ধ নহয় তেনে হলে তলত লিখা সমক ঔষধ খুৱাব। ভেদ বন্ধ হোৱা ঔষধ খাব নিদিব কাৰণ এই অবস্থাত বেছি শৌচ হলেও বেয়া, বন্ধ হলেও বেয়া গতিকে সম ভাবে থকা উচিত।

সমক ঔষধ :—আফিং ডেৰ মহা, খৈ মাটীৰ গুড়া এক

এক ছটাক সকলো লগ কৰি তেৰ পোৱা পাণীত মাৰি খুৱাব।

পথ্য ঃ—এক ছটাক দেশী মদ, গুড় এক ছটাক, ভাতৰ মাৰত মাৰি নিতৌ তিনি চাৰি বাৰ খুৱাব। পিছত ২ নং বলকাৰক ঔষধ কিছুদিন খুৱালে ভাল হব।

## গলফুলা।

এই ৰোগৰ নিচিনা শীঘ্ৰে প্ৰাণহাৰক ৰোগ আৰু নাই। কোনো শ্লেষ্মাজনক বস্তু খালে কফ বেছি হৈ কণ্ঠদেশ ৰোধ কৰে গতিকে দম বন্ধ হৈ শীঘ্ৰে মৰে।

লক্ষণ ঃ—এই ৰোগ হলে গৰুৰ নাক মুখেদি লাল পৰে, কেতিয়াবা চখুৰে পাণী ওলায়, কাঁহ হয়, চখু ও নাকৰ ভিতৰ অলপ ৰঙ্গা হয়, মুখ গোন্ধায়, কোনো কোনো গৰুৰ জিভাত ঘা হয়, গল ঘৰ ঘৰ কৰে, জিভাৰ গোৰ ফিকি উঠে, চেছা ও শ্যাম বৰ্ণ হয়। খাব নোৱাৰে। কোনো গৰুৰ চেৰাণী ধৰে, আৰু কোনো গৰুৰ হাগা মুতা বন্ধ হৈ পেট ফিকে। মূৰত কফ বন্ধ হৈ মূৰ ডাঙ্গিব নোৱাৰা হয়।

চিকিৎসা ঃ—যদি নাক মুখেদি শ্লেষ্মা পৰে, গল ঘৰ ঘৰাই, মূৰত ভৰ হৈ ডাঙ্গিব নোৱাৰা হয় তেন্তে তলত লিখা ভাপটী দি কিছুমান শ্লেষ্মা বাহিৰ কৰি মূৰৰ ভাৰ কমাই দিব। পিছত ঔষধ খুৱাব। যদি মূৰত ভৰ নোহোৱাত চিকিৎসা কৰে তেন্তে প্ৰথমে ঔষধ খুৱাই পিছে ভাপ দিব। এই ভাপটী যে অকল এই ৰোগত হে উপকাৰী এনে নহয়, মূৰ ভৰ হৈ মুখেদি লাল পৰা সকলো ৰোগতে উপকাৰী।

ভাপ ঃ—বগাকুমুৰাৰ স্থকান গছ, কপাহৰ গুটী, সৰিয়হৰ স্থকান গছ, আৰু ভুচি, তাল গছৰ স্থকান থোক এই সকলো খণ্ড খণ্ডকৈ কাটি এটী নূতন কলস বা হাবিৰ ভিতৰত ৰাখি এটী চৌকা কৰি শুকান গোবৰ গুঠাৰে চৌকাটী ভৰাই জুইদি জুইৰ ওপৰত কলসটী ৰাখিব। ভিতৰৰ বস্তুবোৰ তপত হৈ জুই লাগিলে তুহ চিতাই দি সেই জুই, ধুমাব আৰু যি ধোৱাঁ ওলাব সেই ধোৱা গৰুটী ভালকৈ ধৰি নাকে মুখে সোমাব দিব। এনে কৰিলে অলপ পিছত চকু নাক মুখেদি বহুত পাণী ওলাই মুৰ ডাঙ্গিব পাৰা হব। মুৰ তুলিব নোৱাৰা পৰ্য্যন্ত ভাপটী দিথাকিব। মুৰ তুলিব পাৰা হলে ভাপ দিব এৰি তলত লিখা ঔষধ খুৱাব।

ঔষধ ঃ—আদাৰ গুড়া এক তোলা, গন্ধক চূৰ্ণ দুই তোলা, আধা সেৰ ভাতৰ বা মসিনাৰ মাৰত মাৰি খুৱাব। (বুটৰ লগত চেপেটা অলপ কলা যি গুটী থাকে তাকে মসিনা বোলে।)

পথ্য ঃ—ভাতৰ মাৰ, মসিনাৰ মাৰ তপত পাণী প্ৰভৃতি গৰম বস্তু খুৱাব ঠাণ্ডা বস্তু খাব নিদিব।

## বসন্ত।

ই বৰ মাৰাত্মক, এই ৰোগত শতকৰা ৫০ৰ পৰা ৯০ পৰ্য্যন্ত মৰে। গৰম প্ৰভাবেই ইয়াৰ উৎপত্তি। শৰীৰত বেছি গৰম বন্ধ হলেই ই উৎপন্ন হয়। ই সংক্ৰামক, স্পৰ্শ দোষত এটাৰ পৰা এটালৈ যায়। এই কাৰণ ওচৰত বসন্ত হলে গৰু বোৰ লগ নলগাকৈ সাবধানে ৰাখিব লাগে। যাতে বসন্ত বীজ

অবস্থা ঃ—এই ৰোগৰ প্ৰথম, দ্বিতীয় ও তৃতীয় তিনটী অবস্থা। অবস্থা ভেদে লক্ষণো বেলেগ। সেই গতিকে লক্ষণ বোৰ ভালকৈ মিলাই ছাই চিকিৎসা কৰিব।

প্ৰথমাবস্থা ঃ—বসন্ত বীজ শৰীৰত সোমোৱাৰ ২।১ দিন পাছত শৰীৰ কপিব ধৰে, আলস্য জন্মে, গা শিহৰে, পেট বহি যায়, মুখ গৰম হয়, মুখৰ শ্লৈষ্মিক ঝিল্লিত ৰক্ত সংস্থান হয়, খুস খুস কৈ কাঁহে, কাণ হালে, বিষ্ঠা শ্লেষ্মায় আবৃত থকা যেন দেখা যায়, ক্ষুধা মন্দ হয়, কোনো কোনো সময় বৰ পিয়াহ লাগে, ভৰি বোৰ লৰাব নোৱাৰে, পিঠি কান্ধ আৰু দাপনাৰ মাংসপেশী বোৰ থাচি ধৰে, দাত কৰমৰ কৰে, পিঠিত হাত দিলে সহিব নোৱাৰে, হামি ধৰে, লাহে লাহে ঘাঁহ পাগিলায় খাবৰ অনিচ্ছা হয়।

দ্বিতীয়াবস্থা ঃ—পিঠিৰ শিৰ বোৰ জকজককৈ ওলায়, বেদনা বেছি হয়, মুখ, কাণ, নাক ভৰি প্ৰভৃতি অঙ্গ বোৰৰ গৰম ঠিক নেথাকে, কেতিয়াবা গৰম, আৰু কেতিয়াবা ঠাণ্ডা হয়, ক্ষুধা মন্দ, ঘাঁহ পাগিলাব নোৱাৰে, উশাহ ঘন হয়; চকুত অলপ জাল পৰে, সদাই কেকাই থাকে, মূৰ তুলিব নোৱাৰে, জ্বৰ প্ৰবল থাকে, বৰ পিয়াহ লাগে, ঢোক গিলিব নোৱাৰে, মাংসপেশী টানি ধৰে, গালৰ ঝিল্লী অতি ৰঙ্গা হয়, মল মূত্ৰ দ্বাৰ ওলমি পৰে, জিভা ফাটে, শৌচ কৰিবলৈ বৰ বেগ দিয়ে, পেট টানি ধৰে, বিষ্ঠাৰ লগত শ্লেষ্মা ও তেজ মিহলি থাকে, সুমল মূত্ৰ দ্বাৰৰ ঝিল্লীবোৰ ৰঙ্গা আৰু সুকান হয় এই অবস্থাত ব্ৰণ ওলায়।

তৃতীয় অবস্থা—লক্ষণ ঃ—চখু, নাক, কান ও মুখেদি আঠ

জিভা নাকৰ চিদ্র ও চকুৰ পাতাৰ ভিতৰৰ ছাল বোৰ উঠি যায় আৰু এই বোৰ ঠাইত হালধীয়া ব্রণ ওলায়। আগ দাত সৰি যায় ও পেট ভাঙি সোমায়। প্রথমে ৰক্ত ও শ্লেষ্মা পাণীৰ সৈতে সৰু সৰু গুলি শৌচ কৰে, পিছত শ্লেষ্মা ৰক্তাবৃত গুলিৰ সৈতে কেৱল পাণীয়া অতি দুৰ্গন্ধময় মল ভেদ হয়, ঢোক গিলোতে কষ্ট হয়, আৰু কাঁহ উঠে। ছাল, শিং কাণ ভৰি মুখ নাক প্রভৃতি ঠাই বোৰ ৰবকৰ নিচিলা চেছা হয়, সদাই শুই থাকে, উথিবৰ বল নোহোৱা হয়, গোঁ-গোঁ-শব্দ কৰি থাকে। নিশ্বাহ পেলাওতে কষ্ট হয়। কুতুৰি থাকে শেষত ৰক্তময় তৰল ভেদ হৈ দুই দিনৰ পৰা ৬ দিনৰ ভিতৰতে মৰে। এই অবস্থাত কোনো গৰুৰ ব্রণ বোৰ পকিব ধৰে, কোনো কোনোৰ ব্রণ বাহিৰো নহয়, কিন্তু ই বৰ কঠিন ইয়াত শীঘ্রে গৰু মৰে। যতই বেছি ব্রণ ওলায় তত শীঘ্রে আৰোগ্য হোৱা সম্ভব।

## চিকিৎসা।

বসন্ত ৰোগৰ প্রথম অবস্থাত শৌচ খোলোচা ৰাখা আবশ্যক। শৌচ বন্ধ হোৱা যেন দেখিলে অলপ মাত্রায় লবণাক্ত বিৰেচক ঔষধ দিব, যাতে শৌচ খোলোচা হয়। শৌচ খোলোচা হলে পেটৰ ভিতৰৰ বিষ বাহিৰ হয়, আৰু ৰোগ কম ভাবে চলে। কিন্তু কেতিয়াও শক্ত বিৰেচক ঔষধ নিদিব, কাৰণ বেছি শৌচ হলে দুৰ্ব্বল হৈ শীঘ্রে মৰাৰ ভয় থাকে। দ্বিতীয় ও তৃতীয় অবস্থাত কেতিয়াও জুলাপ নিদিব। সেই অবস্থাত ৰোগৰ প্রাগবত সহজে জুলাপ হয়, তাতে জুলাপ দিলে অতিৰিক্ত শৌচ

জুলাপৰ নিমিত্তে পেট ফিকা ৰোগত লিখা ঔষধ বিবেচনা কৰি কম মাত্ৰায় খুৱাব বা তলত লিখা ১নং ঔষধটী খুৱাব।

বেছিকৈ চেৰাব ধৰিলে আমাশয় আৰু গ্ৰহণী ৰোগত লিখা দৰব বিচেনা কৰি খুৱাব। কিম্বা তলত লিখা ২ নং বা ৩ নং ঔষধ খুৱাব। বেছিকৈ ৰোধক ঔষধ খুৱাই একেবাৰে শৌচ বন্ধ কৰা অনুচিত. সেয়ে হলে পেট ফিকি অনিষ্ট হোৱা সম্ভব।

মূৰত বেছি ভাৰ হলে গল ফুলা ৰোগত লিখা ভাপটী দি মুৰৰ ভাৰ কমাই দিব। বসন্তত শিমেলীৰ গুটী প্ৰধান ঔষধ ই বিষাক্ত নহয় বসন্ত ব্ৰণ বোৰ পকাৰ আগেয়ে এই ঔষধ খুৱাব, ব্ৰন পকাৰ পিছত উপকাৰ নহয়। ইয়াক ব্যবহাৰ কৰাৰ নিয়ম ঃ—বলবতী গাইক বা বলদক প্ৰথম দিন পুৱাই ২৫টী তুপৰীয়া ১৫টী আৰু গধূলি ১০টী গুটী খুৱাব। দ্বিতীয় দিন পুৱা ১৫টী আৰু গধূলি ১০টী খুৱাব। তৃতীয় দিন পুৱাই একবাৰ মাত্ৰ ১০টী গুটী খুৱাব। ( আৰু অধিক ব্যবহাৰ নাই। )

মধ্য বয়স্ক গাই ও বলদৰ ঃ—১ম দিন পুৱা ৭টী তুপৰীয়া ৭টী গধূলি ৫টী। খুৱাব, দ্বিতীয় দিনও পূৱা ৭টী গধুলী ৫টী। তৃতীয় দিন পুৱা ৫টী গুটী খুৱাব।

কম বয়সৰ গৰু হলে প্ৰথম দিন পুৱা ৭টী তুপৰীয়া ৩টী গধূলি ১টী, দ্বিতীয় দিন পুৱা ৩টী গধূলি ২টী, তৃতীয় দিন পুৱা মাত্ৰ ১টী গুটী খুৱাব।

( মানুহৰ বসন্ত ৰোগতো এই ঔষধ খাটে। মানুহৰ পক্ষে প্ৰথম দিন ১২।৭।৫ গুটী, দ্বিতীয় দিন ১০।৫ গুটি, তৃতীয় দিন ৫।২ গুটি গৰম জল শীতল কৰি তাতে বটি খুৱাব। শিশুৰ পক্ষে

ইয়াৰ অৰ্দ্ধ মাত্ৰা। লঘু বলকাৰক পথ্য দিব। মাছ মাংস নিষেধ।)

১নং বিৰেচক ঔষধ।

আদাৰ গুড়া দহ মহা, লোন ছয় ছটাক, মচম্বৰ তিতা পাচ মহা, তপত পাণী এক সেৰ, গন্ধক চূৰ্ণ পাচ তোলা, গুড় একপোৱা এই সকলো লগ কৰি খুৱাব! হালধি আৰু চুন এক ছটাক পৰিমাণে লগ কৰি খুৱালেও শৌচ খোলোচা হয়।

২নং ৰোধক ঔষধ।

খৈ মাটি তিনি মহা, পলাশৰ ধুনা তিনি মহা, আফিং ডেড় মহা, চিৰতাৰ গুড়া পাছ মহা, দেশী চেৰাপ এক ছটাক লগ কৰি এক সেৰ ভাতৰ মাৰত মাৰি খুৱাব।

৩নং ৰোধক ঔষধ।

চিৰতাৰ গুড়া তিনি মহা, কৰ্পূৰ তিনি মহা, চেৰাপ দুই ছটাক, ধঠুৰাৰ গুটী এক মহা, জখাৰ এক তোলা সকলো লগ কৰি খুৱাব। এই ঔষধ প্ৰথম অৱস্থাত বিশেষ উপযোগী। দ্বিতীয় অৱস্থাত চব্বিশ ঘণ্টাৰ বেছি কাল ছেৰাণী থাকিলে মাজুফল তিনি মহা উক্ত ঔষধত লগ কৰি দিব।

পথ্য ঃ—বসন্তৰোগত চাউল আৰু কলা ভালকৈ মিজাই তাৰ ঘন মাৰ কৰি খাব দিব ঘাঁহ খুওৱা নিষেধ।

প্লেগ ৰোগ।

লক্ষণ ঃ—প্লেগ ৰোগত গল ফিকা ৰোগৰ সকলো লক্ষণ দেখা যায়। তদুপৰিও গোটেই গা বন্ধা পৰে, লোম ৰোৱ

ৰোগত গা ৰঙ্গা নপৰে ও জ্বৰ নুঠে। ইয়াৰ দ্বাৰা গলফুলা ও প্লেগ পৃথককৈ চিনি লব লাগে। কোনো দারুণ বিষ পেটত সোমাই প্লেগ ৰোগ হয়। ই ভয়ানক সংক্রামক, দেখি থাকোঁতে অস্থিৰ হৈ ২৪ ঘণ্টাৰ ভিতৰতে মৰে।

চিকিৎসা ঃ—এই ৰোগত শীঘ্রে চিকিৎসা নকৰিলে সময় পোৱা টান। গলফুলা ৰোগত উক্ত সকলো চিকিৎসা প্লেগতো কৰিব লাগে। ভেদক ঔষধ দি শীঘ্রে ভেদ কৰাব লাগে, ভেদ নহলে বমনকাৰক ঔষধেৰে বমি কৰাব লাগে। ভেদ বা বমন নহলে তলত লিখা ঔষধ খুৱাব আৰু গলত প্রলেপ দিব।

## ভেদক ঔষধ।

আদাৰ গুড়া দহ মহা, লোন ছয় ছটাক, মচন্বৰ তিতা পাচ মহা, গন্ধক চূর্ণ পাছ তোলা, গুড় এক পোৱা, তপত পাণী এক সেৰত মাৰি খুৱাব।

## বমনকাৰক ঔষধ।

দেশী চেৰাপ আধাপোৱা, আদাৰ গুড়া এক ছটাক, জালুকৰ গুড়া পাছ মহা, তপত পাণী আধাসেৰত মাৰি খুৱাব।

## খুওৱা ঔষধ।

কস্তুৰী আধা তোলা, ভাং এক তোলা, কর্পূৰ এক তোলা, আজ্ঞাচিতৰ শিপা এক তোলা, এৰাৰ গুটী আধা তোলা, ৰাস্না (পৰগছা) এক তোলা, পিপুল মূল এক তোলা এইবোৰ ভালকৈ গুড়া কৰি দুই সেৰ ভাতৰ মাৰত মাৰি চাৰি পালিকৈ খুৱাব।

পাৰুল, গামেৰী, এইবোৰ গছৰ ছাল, বিয়ানি সাপ্তা, গোক্ষুৰ, কণ্টকাৰী, তিতভাগুৰীৰ মুৰা, মাইথাটীৰ মুৰা এই সকলো মিলাই এভাগ, ধুঁতুৰাৰ পাত দুইভাগ, বাবৰী তুলসীৰ পাত একভাগ, সাগৰ ফেন একভাগ, এই সকলো ভালকৈ বটি অলপ তপতাই গলৰ ফিকা ঠাইত লেপ দি এখণ্ড কাপোৰেৰে পৰিব নোৱাৰাকৈ বান্ধি দিব।

পথ্য ঃ—ভাতৰ মাৰ আৰু লোন মিহলাই খুৱাব। গুৰুপাক কঠিন বস্তু নুখুৱাব।

## নাবেঙ্গা ৰোগ।

লক্ষণ ঃ—গৰুৰ গাৰ ঠাইয়ে ঠাইয়ে লোমবোৰ উঠি যায়, কলা বা ৰঙ্গা চকা চকা দাগ বা ঘাঁ হয়। গুইয়া ৰোগতকৈ ই বেলেগ।

চিকিৎসা ঃ—কিছুদিন তাতকা সৰিয়হৰ তেল সেই ঠাইত ভালকৈ মালিশ কৰি দিলে ভাল হয়। পথ্যৰ নিয়ম নাই।

## ঘুৰঘুৰ পোকৰ কামোৰ।

লক্ষণ ঃ—গৰুক ঘুৰঘুৰ পোকে কামৰিলে গৰুটোৱে লেজ তুলি জৰবৎ হৈ থাকে আৰু গোটেই গাতে কাঁতা কাঁতা চিহ্ন হয়। মুখেদি লাল পৰিব ধৰে, ঘনে ঘনে কোট পাৰে।

চিকিৎসা ঃ—পাথৰ কুছিৰ পাত সাতটী, সৰিয়হৰ তেল এক ছটাক, ছিড়াগুড় আধা ছটাক, জৈন বাথৰ এক তোলা লগ কৰি বটি খুৱাব। আৰু ৩টী ৰিহঢেকিয়াৰ পাত লগ কৰি জাৰিব ঃ—মন্ত্ৰ যথা ঃ—বং লং ৰং হুঙ্কাৰ শব্দে চাপৰ চাই,

## প্লীহা ৰোগ।

লক্ষণ ঃ—মানুহৰ নিচিনা গৰুৰো প্লীহা হয়। প্লীহা হলে গৰুৰ জ্বৰ হয়, আৰু পেট গোট ডাঙৰ হৈ উঠে, ঘাঁহ খাব নোৱাৰে, ক্ষীণ আৰু দুৰ্ব্বল হয়, হাগা মুতা প্ৰায় বন্ধ হয়।

চিকিৎসা ঃ—কুম্ভীৰৰ দাতৰ চন্দন তুলি সেই চন্দন ভাতৰ মাৰত মাৰি খুৱালে ভাল হয়। নাভি শঙ্খ কিছু খুৱালেও প্লীহা গুছে।

পথ্য ঃ—পথ্যৰ কোনো বিশেষ উল্লেখ নাই। কিন্তু পুষ্টিকৰ বস্তু খুৱাব।

## অকনি ৰোগ।

লক্ষণ ঃ—অকনি হলে গৰুৰ তেজ হানি হয় আৰু বিশ্ৰী দেখা যায়। লোমৰ গোৰে গোৰে অকনি হয় আৰু ইয়াকে ছাল অকনি বোলে। ইয়াৰ আকাৰ ক্ষুদ্ৰ, প্ৰায় মানুহৰ অকনিৰ নিচিনা। এই বিলাক মলজ কৃমি, শৰীৰত বেছিকৈ মল বন্ধ হলে, আৰু শৰীৰত কষ্ট দেখিলেও এই ৰোগ হয়। (চিকিৰাঠৈ ধৰা ৰোগতকৈ ই ভিন্ন)।

চিকিৎসা ঃ—তপত পানীৰে কিছুদিন গোটেই গা ভালকৈ ঘঁহি ঘঁহি ধুই দিব।

ঔষধ ঃ—(১) ঘৰমোচা বাহি সোপতি ৰবিবাৰে পুৱাই বাহিমুখে ভালকৈ গৰুটোৰ গাত ঘঁহি দিলে অকনি বোৰ নষ্ট হয়। (২) খলিহৈ গৰম পাণীৰে গুলি গাত মুছি দিব। (৩) অকনি গছৰ ছালৰ ৰস তপতাই মুছি দিলেও অকনি মৰে।

## চিকিৰাথে ধৰা।

লক্ষণ :—গৰুৰ গাত সচৰাচৰ এক প্ৰকাৰ ডাঙৰ পোক হয়। ইয়াকে চিকিৰাথ বোলে। সেই বোৰ প্ৰায় গৰুৰ গাতে থাকে কিন্তু বেছিকৈ হলে ৰোগৰ মাজত গণ্য হয়। বেছিকৈ হলে গৰুৰ বৰ যন্ত্ৰনা হয়, আৰু ক্ৰমে তেজহীন হৈ দুৰ্ব্বল হব ধৰে।

চিকিৎসা :—ঘুটাৰ দ্বাৰা এই বোৰ তুলি গা সুন্দৰকৈ ধুৱাই দিব।

ঔষধ :—তাৰৰ তেল আধা ছটাক, গন্ধক চূৰ্ণ ডেড় ছটাক, তাৰ্পিন তেল পাছ মহা, সৰিয়হৰ তেল এক সেৰ সকলো লগ কৰি তুলি দ্বাৰা চিকিৰাঠে ধৰা ঠাইত লগাই দিলে ইপৰি যায়।

## সৰ্পখোলস ( ছোট ) ভক্ষণ।

লক্ষণ :—গৰুই যদি কোনোমতে সাপৰ ছোট খাই তেনে হলে গাওত ছকা ছকা হৈ ফিকি উঠে, আৰু লোমবোৰ টানিলে উঠি আহে।

ঔষধ :—বেঙ্গেনাৰ শিয়াৰ এডাল জালুক আঢৈ গোট লগ কৰি বটি দৈ গাখীৰত মাৰি খুৱালে ভাল হয়। ( পথ্যৰ নিয়ম নাই। )

## ৰোৱা পোকে খোৱা।

লক্ষণ :—যাঁহৰ লগত ৰোৱা নামে এজাত পোক আছে তাক গৰুই খালে কাণৰ তল ও গলৰ তল ফিকি উঠে, লৰচৰ কৰিব নোৱাৰে মুখেদিও লাল পৰে।

চিকিৎসা :—গৰুটীৰ কাণ দুখনৰ আগ অলপ কৈ ফালি অলপ তেজ বাহিৰ কৰিব। ...

কাটি কোনো বস্তুৰে সৈতে গৰুটীক খুৱালেও ভাল হয়। এই ক্রিয়াটী হিন্দুৰ নিষিদ্ধ গতিকে অন্য জাতি মানুহৰ দ্বাৰা কৰিব।

## আঠালু ৰোগ।

লক্ষণ ঃ—কাণৰ ভিতৰত এক প্রকাৰ খোলৰ নিচিনা পদাৰ্থ হয় তাৰ নাম আঠালু। এই ৰোগ হলে গৰুৰ বৰ কষ্ট হয়। গতিকে চিকিৎসা কৰা উচিত। আঠালু বোৰ চৰাইয়ে তুলি থায়।

ঔষধ ঃ—সৰিয়হৰ তেল এক পোৱা, তার্পিন তেল এক তোলা, গর্জ্জন তেল এক তোলা, গন্ধক চূর্ণ দুই তোলা, সকলো লগ কৰি ৰদত তপতাই তুলিৰে অঠালুত লগাই দিলে গুছে।

## ঠুনকা ৰোগ।

লক্ষণ ঃ—দুগ্ধবতী গাইৰ স্তন ফিকি উঠাকে ঠুনকা বোলে।

চিকিৎসা ঃ—জেটকুয়াগছৰপাত বটি স্তনত লগাই দিলে ভাল হয়।

## কাঁধ ফিকা।

বেছিকৈ হাল বা গাড়ী টানিলে হালুৱা গৰুৰ কাঁধ ফিকে।

চিকিৎসা ঃ—( ১ ) লাউ শামুকৰ ভিতৰত থকা পাণী তপতাই ভালকৈ মালিচ কৰি দিব। ( ২ ) জেটকুয়াগছৰ পাত বটি বা চোৰতৰ পাত বান্ধি দিলেও ভাল হয়।

## প্রসব দ্বাৰ ফাটা।

চিকিৎসা ঃ—গাই গৰুৰ প্রসব হোৱাত প্রসবৰ দ্বাৰ ফাটিলে

পাক কৰি অলপ তপত থাকোতে সেই ঠাইত লগাই দিলে ভাল হয়।

## প্ৰসব বিধি।

নবম আৰু দশম মাহ প্ৰকৃত প্ৰসব কাল, কোনো কোনো গৰুৰ সাত, আঠ মাহতো প্ৰসব হয়, কিন্তু সেইটো আচল সময় নহয়, কোনো গৰল থালে তেনে হয়। অন্য সময়ত হলে সেইটো গৰ্ভপাত বুলি কোৱা হয়, তাত প্ৰায়ে পোৱালী জীয়াই নেথাকে। সপ্তম বা অষ্টম মাহৰ পোৱালী কাচিৎ হে জীয়াই থাকে।

প্ৰসব হোৱাত পলম হলে, ঘোল একপোৱা আন্ধুডেড় ছটাকত মাৰি খুৱালে শীঘ্ৰে প্ৰসব হয়।

বেছি পলম হলে মসিনা বটি মিঠাইৰ গেৰাৰ লগত এক ছটাক পৰিমানে খুৱালে শীঘ্ৰে প্ৰসব হয়। অথবা নাগদানাৰ মূল আজ্ঞাচিতৰ শিয়াৰ লগ কৰি বটি এক ছটাক পানীত মাৰি খুৱালে সুখে প্ৰসব হয়।

## মন্ত্ৰ চিকিৎসা।

এখন নূতন সাজতকৈ নূতন পাণী আনি গোহালি ঘৰৰ থৰিকা তিনি ডাল, না থাকিলে গৰু থকা ঠাইৰ কোনো ত্ৰিধ বস্তুৰে জাৰিব। মন্ত্ৰ যথা :—আকাশ লৰে পৰ্ব্বত তলে ৰাম লক্ষ্মণ দুই নাচা। শুন কিকৰ কোকা কুকী ৰক্ত কুণ্ডলী বসিয়া বাহিৰ হও আসিয়া গুহা তোল। গুহদ্বাৰে চাৰিয়া হও আসিয়া

ফট স্বাহা। এই মন্ত্র তিনিবাৰ উচ্চাৰণ কৰি পাণী জা
খুৱালে শীঘ্ৰে প্ৰসব হব।

## ফুল পৰা ঔষধ।

গৰুৰ প্ৰসবৰ পাছত ফুল ন পৰিলে শালীধানৰ মুৰা এ
ছটাক গুড়া কৰি আধা পোৱা মদ বা কাঁজিৰে সৈতে খুৱা
শীঘ্ৰে ফুল পৰে।

## প্ৰমেহ ৰোগ।

মানুহৰ দৰে গৰুৰো প্ৰমেহ হয়। গাই গৰুতকৈ বাড়ৰ
এই ৰোগ বেছি। যথা সময়ত চিকিৎসা নকৰিলে গৰু ম
যায় ও তাৰপৰা উৎপন্ন হোৱা দামুৰীৰো এই ৰোগ হয়। বে
সঙ্গমৰ কাৰণে এই ৰোগ হয়।

লক্ষণ :—গাইৰ প্ৰমেহ হলে প্ৰসব দ্বাৰেৰে বগা বা ধোঁ
বৰ্ণৰ বিজল নিতৌ বাহিৰ হৈ থাকে আৰু সেই বোৰ লেজ
গুৰিত লাগি থাকে। ক্ৰমে ক্ষীণ আৰু দুৰ্ব্বল হয়, ঘাঁহ খোৱা
বিশেষ ইচ্ছা না থাকে। ৰোগ পুৰাণ হলে সেই বিজল বো
সবুজ বা হালধীয়া বৰণৰ হয় আৰু বৰ দুৰ্গন্ধ। গাইজনী
সঙ্গম আশা বেছি হয়, গৰ্ভ হলেও প্ৰায় গৰ্ভপাত হয়, কোনোটি
জননশক্তি লোপ হৈ জীৰ্ণ শীৰ্ণ হৈ পৰে। লাহে লাহে ম
যায়।

বৃষভৰ হলে প্ৰস্ৰাবৰ সময় বৰ জ্বালা কৰে, প্ৰস্ৰাবৰ লগ
শুক্ৰ বাহিৰ হয়, ঘনে ঘনে লেজ আৰু পাছ ভৰি তুথন লৰা
থাকে। ৰোগ টান হলে পেচাবৰ সময়ত দাত চোবায়, গোঁ-গোঁ

ছটাক. আদাৰ গুড়া এক মহা, গুড় দেড় ছটাক সকলোকে দুই সেৰ তপত পাণীত মাৰি শীতল হলে খুৱাব।

পথ্য ঃ—অলপ কেছা ঘাঁহ থাব দিব। পালৰ ভিতৰত এটাৰ এই ৰোগ হলে সকলো গৰুকে কমকৈ ঘাঁহ খুৱাব।

## অন্য প্ৰকাৰ সিমলা ৰোগ।

লক্ষণ ঃ—মুৰ ভৰহৈ মুৰ তুলিব নোৱাৰে, অলপকৈ পেট ফিকে, অলপ ঘাঁহ পাগিলায় ভৰি খোড়া হৈ উঠিব নোৱাৰা হয়, কোনোটীৰ এথন বা দুথন ভৰি খোড়া হয়, ভালকৈ ঘাঁহ খাব নোৱাৰে, শোট অলপ হয়, সদাই ঢোক গিলি থাকে, কোনোটীৰ বা চেৰাণী ধৰে। এই ৰোগ আস্থৰিক মতে খোৰা ভাকোলাৰ ভিতৰত গণ্য হয়।

ঔষধ ঃ—তেলভকুৰা পোক এটা, বগুৰী গছৰ শিয়াৰ দুই তোলা, আঁহত গছৰ শিয়াৰ দুই তোলা, পিয়াজ এক ছটাক সকলো লগ কৰি বতি খুৱাব। খোড়া ভৰিৰ ঔষধ যথা—(১) গোবৰ এক ছটাক আকণৰ পাত ৫টা, কাকৰাৰ মাটি এক ছটাক, সকলো লগ কৰি এক সেৰ পাণীত সিজাই তপতে তাকোঁতে খোড়া ভৰিত ভালকৈ মলি দিব। (২) কৰ্পূৰ ও তাৰ্পিণ তেল সমানে লগ কৰি মলি দিলেও ভাল হয়। মুৰ ভাৰি হলে গলাফুলা ৰোগত লিখা ভাপটী দি কিছু কফ বাহিৰ কৰি দিব। শুকাণ জিকা পুৰি ধোৱা দিলেও মুৰৰ ভাৰ কমে।

## দাত লৰা বা ঘেনা।

লক্ষণ ঃ—গৰুৰ দাত বোৰ লৰে, কট ঃকট কৈ দাত চোবাই থাকে, ভালকৈ ঘাঁহ খাব নোৱাৰাৰ কাৰণে গৰুটী ক্ষীণ ও দুৰ্ব্বল হয়, পিঠিৰ ফালে ঠোঁত মাৰি থাকে, চুতৰ ওপৰত মল বদ্ধ হৈ কলা পৰে।

চিকিৎসা ঃ—( ১ ) দাত বোৰৰ গুড়িত হালধি গুড়া ভালকৈ মলি দি সৰিয়হৰ তেলত তুলা ভিজাই ভালকৈ গাজি দি দুঘণ্টা মান মুখখন বান্ধি থব। ( ২ ) মাটীমাহৰ গুঁড়া, নতুন খোলাৰ গুড়া লৰা দাতৰ গুৰিত দি তেনেকৈ তুলা ভিজাই বান্ধি থব।

## বাটৰ ঘা।

লক্ষণ ঃ—দুগ্ধবতী গাই বোৰৰ বাটত এক প্ৰকাৰ ঘা হয়, ক্ষীৰাওঁতে বাটত দুখ পায়, আৰু ফাটি যায়, ভৰি ডাঙ্গে, নিক্ষীৰালেও বাটত জ্বালা হয় ও ফিকি উঠে।

চিকিৎসা ঃ—( ১ ) বাট অলপকৈ ফাটিলে প্ৰথমে গৰম পাণীৰে ভালকৈ ধুই অলপ মাখন মলি দিব। ( ২ ) ক্ষীৰাওঁতে দামুৰীৰ মুখত লগা ফেন ভালকৈ মছি দিব।

বেছিকৈ বাট ফাটিলে বা ঘা হৈ পূজ ওলালে নিমুপাতৰ বা অৰ্জ্জুন গাছৰ ছালৰ কাঠ কৰি অলপ গৰমে থাকোঁতে বাত বোৰ ভালকৈ প্ৰত্যহ ২।৩ বাৰকৈ ধুই তলত লিখা মলম দিব।

মলম ঃ—ফিটকিৰি ৵০ আনা সফেদা /০ আনা ঘিঁ এক ছটাক, মম আধা ছটাক, ( মম আৰু ঘিঁ বেলেগ পত্ৰত গলায় )

সকলো লগ কৰি মাৰি শিলৰ বা মাটীৰ পাত্ৰত থৈ প্ৰত্যহ ২। বাৰকৈ লগাব।

## শিং ভাঙ্গা।

গৰুৰ কোনো কাৰণে শিং ভাঙ্গিলে গোবৰ পোৰা ছাঁই ভালকৈ মছি দিব বা সৰা চুলি ভালকৈ মেৰাই বান্ধি দিলে ভাল হয়। বৰকৈ তেজ ওলালে প্ৰথমে জল পটীৰ দ্বাৰা তেজ বন্ধ কৰি পিছত ঔষধ লগাব।

শিং পোকা ঃ—ই একপ্ৰকাৰ ৰক্তজ পোক—অতি ক্ষুদ্ৰ, চকুৰে মনিব নোৱাৰি। ই শিঙৰ গোড়ু থন থৰৰ নিচিনাকৈ গুৰগুৰ কৈ খায় পেলায়। বৰকৈ খুজোৱা কাৰণে, গৰুটি ছটফটাই ফুৰে। ভালকৈ ঘাঁহ পাণী খাব নোৱাৰে। ব যন্ত্ৰণা হয়।

চিকিৎসা ঃ—তাৰ্পিন কৰ্পূৰ ছুইকো মিহলাই কিছুদিন শিঙৰ গুড়িত দিলে গুছে। ফেনাল তেল বা ঘিঁ তপত কৰি দিলেও ভাল হয়।

## কৃমি ৰোগ।

মানুহৰ নিচিনা গৰুৰো কৃমি ৰোগ আছে, শীঘ্ৰে চিকিৎসা নকৰিলে হঠাৎ মৰি যায়।

লক্ষণ ঃ—গৰুৰ কৃমি ৰোগ হলে পেট ডাঙৰ হয়, লোম ৰো শিথিল হয় আৰ্থাৎ টানিলে উঠি যায়, প্ৰায় কাঁহি থাকে, ক্ৰমে ক্ষীণ হয়, পেটত হাতেৰে টিপিলে চালৰ তলত বজবজ কৰে, গাৰ চাল ধোঁৱা বৰণীয়া হয়, চকুৰ তেজ কমে, বৰ ভোক পিয়াহ লাগে, বহুত ঘাঁহ খায় কিন্তু পৰিপাক নহয়, চেৰাব ধৰে,

ভৰিব দাপনাৰ তল ভাগ ফিকি উঠে, পিঠি খন বহি যায়, ক্রমে জীর্ণ শীর্ণ হৈ মৰি যায়।

চিকিৎসা ঃ—কাগজি বা তুলা টেঙ্গাৰ পাত বতি শিল বাতিত হোকাৰ পাণীত গুলি এক ছটাক লোন মিহলাই সদায় পোৱা পৰিমানে খুৱাব। অথবা লোন এক টোলা, হিৰাকস আদ মহা লগ কৰি পুৱা গধুলী দুপালিকৈ ৩।৪ দিন খুৱাব।

## অগ্নিদগ্ধ চিকিৎসা।

গৰুৰ কোনো ঠাইত জুইয়ে পুৰিলে তৎক্ষণাৎ সেই ঠাইত পছা কলৰ মধা বা কলৰ পছা থোক বতি লেপ দিব। অথবা চুনৰ পাণী নাৰিকলৰ তেল সমানে লগ কৰি তুলা ভিজাই পোৰা ঠাইত দি কাপোৰেৰে বান্ধি থব, তেনেহলে যন্ত্রণা গুচিব আৰু ঘা হোৱাৰো আশঙ্কা নেথাকে। যদি চিকিৎসাৰ ব্যতিক্রমত ঘা হয় তেন্তে নিমু গছৰ ছাল বা অর্জ্জুন গছৰ ছালক কাঠ কৰি ঘা থিনি ভালকৈ ধুই এই দুইবিধ গছৰ এবিধৰ ছাল বতি লেপ দিব।

## সাধাৰণ ঘা চিকিৎসা।

গৰুৰ গাত সাধাৰন ঘা হলে ৰহুন ৪টা বতি এক ছটাক নাৰিকলৰ তেলত ভাজি অলপ গৰম থাকাতে ঘাত লগায় দিব।

## ৰক্তস্রাব নিবাৰণ।

গৰুৰ গাত অস্ত্রাদিয়ে কাটাত তেজ ওলালে, সেই ঠাইত তামাখুৰ গুড়া লগাই দিলে তৎক্ষণাৎ তেজ বন্ধ হয়। তেজ

বন্ধ হলে আকৌ তামাখুৰ গুড়া দি এখন কলপাতেৰে ঢাকি কাপোৰেৰে বান্ধি থলে ঘা হব নোৱাৰে।

কিম্বা গন্ধকৰ গুড়া ক্ষতস্থানতদি তেনেকৈ বান্ধি থব। অথবা তাৰ্পিন তেলত কাপোৰ ভিজাই ক্ষতস্থানত দিলেও উপকাৰ হয়। কলাঙ্কাৰ তপতাই ক্ষত ঠাইত দিলেও সকলো বিষ বেদনা ৰক্তস্ৰাব বন্ধ হয়; কিন্তু এই ঔষধটি ক্ষত হোৱা মাত্রে দিব লাগে পিছত দিলে তিমান গুণ নহয়। সাবধানে দিব লাগে যাতে ক্ষতস্থান বিনে আন ঠাইত পৰিব নোৱাৰে। মাত্র একেবাৰ দিব লাগে। সদাই জল পট্টী দি থলেও উপকাৰ হয়। উক্ত ক্রিয়া কৰাতো যদি ঘা হয় তেন্তে উপৰত লেখা সাধাৰণ ঘাৰ ঔষধ তৈয়াৰ কৰি কিছুদিন দিলে ভাল হয়।

## পীনাস ঘা।

এই ঘা গৰুৰ নাকৰ ভিতৰত হয়, শীঘ্রে চিকিৎসা নকৰিলে ক্রমে গৰুৰ মস্তিস্ক পৰ্য্যন্ত বেয়া হয়।

ঔষধ:—মাটীয়া সিন্দুৰ এক মহা, কেহকুয়াৰ ৰস এক ছটাক, ঘাৰাৰ মুত এক ছটাক, এই সকলো লগ কৰি এটা চিচাত ভৰাই গিলিপ দি দুই দিন থৈ পিছত অলপ অলপ কৈ ঘাত কিছুদিন দিলে আৰোগ্য হব।

## জিভাৰ ঘা।

লক্ষণ:—গৰুৰ জিভাৰ তলত এক প্রকাৰ ঘা হয়, সেই ঘা হলে জিভাৰ তল থন গাঁতৰ মত হয় আৰু ঠাইয়ে ঠাইয়ে কাতাৰ নিচিনা হয়, গতিকে ঘাঁহ খোৱাত বৰ কষ্ট হয়।

চিকিৎসা:—চিতল মাছৰ বাকলি পোৰা ছাই ঘাত লিপি

দ দুই ঘণ্টা সময় মুখ বন্ধ কৰি ৰাখিব। ৩।৪ দিন এনেকৈ দিলে ঘা শুকাই যায়।

## কাঁধ খৰ।

লক্ষণ :—গৰুৰ কাঁধত হাল প্ৰভৃতি টানাৰ কাৰণে ছাল যায় া হয়, সেই ঘা থাকোতে পুনৰ হাল গাড়ী টানিব দিলে সেই া খৰৰ নিচিনা হয়, বৰকৈ খুজায়, সেই নিমিত্তে নিজে গছত াঁহি ঘা বেছি কৰে, কাউৰীয়ে খুঁচিও ঘা বেছি কৰে এই নিমিত্তে য়াৰ নাম আন এটা "কাউৰ ঘা"। এই ঘা হালুৱা বা বলদ কৰ হে বেছিকৈ হয় কেতিয়াবা গাই গৰুৰো হোৱা দেখা যায়।

ঔষধ :—(১) হামখুৰ গুড়া এক ছটাক, মুদ্ৰাশঙ্খ (ই খনিজ াদাৰ্থ) আধা টোলা দুইকো অলপ সৰিয়হৰ তেলত মাৰি লম প্ৰস্তুত কৰি ৬।৭ দিন দিলে ভাল হব।

(২) অথবা ঘোৰাৰ মুত ছাগলৰ মুত গৰুৰ মুত এই নিকো সমানে লগ কৰি তাতে কিছু হামাখু ভিজাই ৩।৪ দিন াখি পিছত ভালকৈ মৰ্দ্দন কৰি পাক কৰি গোটা হলে সুমাই : কিছুদিন দিলে ভাল হব।

(৩) গৰ্জ্জণ তেল গন্ধকৰ গুড়া সমানে লগ কৰি মাৰিলে কছুদিন দিলেও ভাল হয়। কিন্তু ঘা ভাল নোহোৱা পৰ্য্যন্ত কটীক আলগাকৈ বান্ধিব যেন ঘা খণ্ড কোনো ঠাইত ঘঁহিব াৰাবে।

## মুহিয়া কাঁধ খৰ।

ই সাধাৰণ কাঁধ খৰতকৈ বেছি হয় আৰু কাঁধ খন ওলমি

চিকিৎসা ঃ—উপৰত লেখা মতে কৰিব কিন্তু সেই বোৰ ঔষধৰ লগত মুইহৰ ছাল পুৰি ছাই কৰি লগ কৰি দিব।

## বিষ চিকিৎসা।

কোনো কোনো সময়ত গৰু বোৰে ঘাঁহৰ অভাবে কতু গছ লতা এড়া গছ প্ৰভৃতি খায় ৰোগাক্ৰান্ত হয়। আৰু আজিকালি মুচি বিলাকে চালৰ আশাত পথাৰত গোপনে কিছু বিষ গৰুক খুৱায়।

লক্ষণ ঃ—গৰুবোৰে বেছিকৈ বিষ খালে কপিব ধৰে, তল পেটত বেদনা হয়, পাছ ভৰি আৰু শিঙ্গৰ দ্বাৰা পেটত খুন্দিয়াব ধৰে, ঘনে ঘনে কাসৰ পিনে চায়, বৰ পিয়াহ লাগে, আৰু চেৰাব ধৰে, গোবৰৰ লগত ন্যূনাধিক তেজ ওলায়, আৰু সদায় ধনুষ্টকাৰৰ নিচিনা ভাবভঙ্গী দেখা যায়, কাৰোবা হাগা মুতা বন্ধহৈ পেট ফিকায় ধৰে, মুখেদি ফেন ওলায়।

চিকিৎসা ঃ—বেছিকৈ খালে চিকিৎসাৰ কোনো ফল নধৰে। অলপকৈ খালে তলত লিখা ঔষধ বোৰ খুৱাব।

ঔষধ ঃ—মসিনাৰ তেল দুই ছটাক, গন্ধকৰ গুড়া এক ছটাক ভাতৰ মাৰ আধা সেৰত মাৰি খুৱাব।

অথবা সৰ্ব্বজয়া নামে ত্ৰবিধ গছ আছে তাৰ শিয়াৰ এক ছটাক সৰু সৰুকৈ কুটি আধা সেৰ তপত ভাতৰ মাৰত মাৰি খুৱাব। অথবা গন্ধকৰ গুড়া এক ছটাক, মসিণাৰ তেল আধা সেৰ অলপ তপত ভাতৰ মাৰ আধা সেৰত মাৰি খুৱাব।

পথ্য ঃ—কলা মাহ সিজাই খুৱাব নাইবা ভাতৰ মাৰ আৰু ভাত দিব। কাঁচা ঘাঁহিও দিব পাৰে। পেটৰ বেদনা আৰু

চেৰাণী নুগুচালৈকে পাণী নুখুৱাব, পাণীৰ সলনি তিসিৰ মাৰ বা ভাতৰ মাৰ দিব।

## সৰ্প দংশন।

লক্ষণ ঃ—গৰুক সাপে খালে বিষ খোৱাৰ নিচিনা লক্ষণ দেখা যায়, উশাহ নিশাহ চেচা হয়, টানিলে লোম বোৰ উঠি আহে, ভৰিৰ শিৰ বোৰ ফিকি উঠে।

চিকিৎসা ঃ—(১) খহ খহিয়া লতাৰ পাতৰ ৰস গৰুৰ নাকত দিলে আৰোগ্য হয়। (২) আমৰা গছৰ ছাল চাৰি তোলা বতি খুৱালেও ভাল হয়। (৩) সাপে খোৱা গৰুটীৰ নেজৰ আগৰ পৰা নাকৰ আগ পৰ্য্যন্ত এডাল কলম খাৰৰ গাছ জুখি সেই ডাল বতি খুৱালেও ভাল হয়। মন্ত্ৰ দ্বাৰা জাৰিলেও বিষ নামে।

## ধৰণী বন্ধা মন্ত্ৰ।

সাপে খোৱাত যি পৰ্য্যন্ত বিষ উজাইছে তাৰ উপৰ খেণিত এই মন্ত্ৰেৰে চুলী বা পতাঝাৰি বান্ধ দিব, আৰু একে উৱামে বান্ধা থাইত চুনৰ বেড় দিব। তেনে হলে বেছিকৈ বিষ উজাব নোৱাৰে।

মন্ত্ৰ—ধৰণী বান্ধো ইন্না ধৰণী বান্ধো বিন্না, ধৰণী বান্ধো শিব পাৰ্ব্বতী। ব্ৰহ্মা বিষ্ণুই জুৰিছে হাল। হাল বাওতে উঠিল মাটী। ময় বান্ধিলো ধৰণী আটি আটি। ইয়াক নামানি উপৰে খাও আস্তিক মুণিৰ মাথা খাও। জৰৎ কাৰুৰ মাথা খাও।

২। ধৰণী ধৰণী অশ্বথামা ধৰণী তয় থাকপৰি। ময় আহোঁ গুৰু সেবা কৰি। মোৰ হাক গুৰুৰ ডাক। যোতে বান্ধিলো

তোতে থাক। ইয়াক নামানি উপৰে ধাৱ। জয় পদ্মিনীৰ মাথা থাৱ।

এই মন্ত্ৰেৰে ধৰণী বান্ধি পিছত বিষ নামা মন্ত্ৰেৰে আচু কাঠৰ পাত বা এৰাৰ পাত কিম্বা কাপোৰৰ দ্বাৰা ঝাৰিব। মন্ত্ৰ—গুৰু মানো গুৰু মানো ওৰে চণ্ডিকা। গুৰু বিনে নায় কেহো, আকাশত বন্দিলো ত্ৰিদশকোটী দেব. পাতালত বন্দো হাজৰ নন্দন। উমানাথ কামখ্যা তোমাকো প্ৰণাম কৰো। এ বিষ লাঠি যি ধাৰে উঠিছ বিষ, সেই ধাৰে দিয়া ভাথি উৰিগল সগুণী গঁজি গল পাখি, কোন কোন বিষ থৈছা ৰাখি কোন বিষ মাৰিলি, কোন বিষ ঝাৰিলি, কোন বিষ কৰিলি পানী কাল কুট বিষকলৈ সগুণী আকাশক উড়ালি। সগুণে বোলে সগুণী কৰিছা কিস। পাথাৰ চোটত তোৰ মাৰি পেলাম বিষ দুই তল দেখিলো উড়ি গল বিষ। ঢলীয়া সৰ্পৰ কমল চৰণ যিজানে তোক বিষৰ জনম। এ বিষ লাঠি যিধাৰে উঠি সেই ধাৰে দে ভাটী। হেমগিৰি পৰ্ব্বতৰ ঘাগৰিৰ মালা উপজিল বিষ থন কান্দনি কালা। ফাটদিয়া বসুমতী পাতাল যাও। বিষচক্ৰবান ভেদি কাটিয়া পেলাও। পদ্মিনী কৰে গোট শঙ্কৰজী। তাক খালে কাল সৰ্পে ময় কৰিম কি। গাৰ বং চং হাল ধীয়া বৰণ। হালধীয়া সৰ্পে খালে নাহিক মৰণ কাল বোড়া কেউটিয়া ঢোক তোক খালে কাল বিকালে। ঝাৰো মানিকৰ ধাৰে। ওৰে বেটা কালীয়া, কোলে গৈছিল তোৰ বিষ মাৰো ময় চালনীত ছালিয়া। ৰামৰ আজ্ঞা সীত বাণী। ঝাৰিলো বিষ কৰিলো পানী। ওৰে বিষ ধইয়া, কো আছ ৰইয়া। যিবেলা গোঁসায় মনুষ্যক গৈলা। জটৰ ভিত

পৰা সৰ্প বাজ হৈলা। ৰামে বোলে দেবী তয় না বান্ধিবি মোক। আচোলৰ ভিতৰত বিচল গাঁথি। বান্ধিলো ধৰণী আটি আটি। শুন শুন বিষগণ কঁও জনম জাতি। সমুদ্র মথন্থে হলা উৎপত্তি। যেতিয়া কৰিলা হৰে সমুদ্র মন্থন। তেতিয়া হল বিষ তোমাৰ জনম। গাণ্ডিত বাসুকি নাগে চাৰন্ত নিশ্বাস। ওৰে ওৰে কালকূট তয় হৈয়া স্ববাস। শূন্যতে হে হাটখানি শূন্যৰ পহাৰ। শূন্য মধ্যে কালকূট জনম তোমাৰ। শূন্যে বিষ ধালিলো যোগিনী কান্ধে বৰে। যি দি আছ বিষ সেইদৈ যাৰে। নিৰঞ্জন কল্পতৰু নিৰঞ্জন কাম। থাম্প দিয়া ঝাৰো বিষ ঘাৰ মুখে নাম। উঠবে স্মৰে বিষ হৰিদ্রা বৰণ। পুথীয়া মন্ত্রে ঝাড়ো অমুকাৰ পৰাণ। ইয়াতে সাপে খোৱা জীব তোৰ নাম লব। আৰু ঘাৰ মুখত ফুক দিব। বিষ না নামে মানে এই দৰে ঝাড়ি থাকিব।

ঝাড়োতে ঝাড়োতে বিষ নামি ঘাৰ মুখত গোট হলে পুনৰাই টিপনী মন্ত্রে ঝাড়িব। মন্ত্র—টিপনি ঝাড়ো টিপনি মাৰো। কালকূট বিষ পাণীকৃত কৰোঁ। থালে খোলে মানিকৰ ধাৰ মাৰিলো টিপনি অমুকাৰ বিষ নায় আৰ। তিনিবাৰ এই দৰে হাতেৰে টিপি ঝাড়িব।

বিষনাই কিয়া হলে পিছত আদা, লোন, চুণ আরু মিলায় বটি ঘাৰ মুখত লগায় দিব॥ মানুহবো এই দৰে ঝাড়িলে বিষ নহোৱা হয়।

## কাঠ আজনেই।

লক্ষণ :—গৰু মানুহৰ গাওত এক প্রকাৰ কাঠৰ নিচিনা

তোতে থাক। ইয়াক নামানি উপৰে ধাৰ। জয় পদ্মিনীৰ মাথা খাৱ।

এই মন্ত্রেৰে ধৰণী বান্ধি পিছত বিষ নামা মন্ত্রেৰে আচু- কাঠৰ পাত বা এবাৰ পাত কিম্বা কাপোৰৰ দ্বাৰা ঝাৰিব। মন্ত্র—গুৰু মানো গুৰু মানো ওৰে চণ্ডিকা। গুৰু বিনে নায় কেহো, আকাশত বন্দিলো ত্রিদশকোটী দেব, পাতালত বন্দো হাজৰ নন্দন। উমানাথ কামখ্যা তোমাকো প্রণাম কৰো। এ বিষ লাঠি যি ধাৰে উঠিছ বিষ, সেই ধাৰে দিয়া ভাথি উৰিগল সগুণী গঁজি গল পাথি, কোন কোন বিষ থৈছা ৰাখি কোন বিষ মাৰিলি, কোন বিষ ঝাৰিলি, কোন বিষ কৰিলি পানী কাল কুট বিষকৈলে সগুণী আকাশক উড়ালি। সগুণে বোলে সগুণী কৰিছা কিস। পাথাৰ চোটত তোৰ মাৰি পেলাম বিষ দুই ভল দেখিলো উড়ি গল বিষ। চলীয়া সর্পৰ কমল চৰণ যিজানে তোক বিষৰ জনম। এ বিষ লাঠি যিধাৰে উঠি সেই ধাৰে দে ভাটী। হেমগিৰি পর্ব্বতৰ ঘাগৰিৰ মালা উপজিল বিষ খন কান্দনি কালা। ফাটদিয়া বসুমতী পাতাল যাও। বিষচক্রবান ভেদি কাটিয়া পেলাও। পদ্মিনী ক গোট শঙ্কৰৰজী। তাক খালে কাল সর্পে ময় কৰিম কি। গা ৰং চং হাল ধীয়া বৰণ। হালধীয়া সর্পে খালে নাহিক মৰ কাল বোড়া কেউটিয়া ঢোক তোক খালে কাল বিকালে। ঝাৰো মানিকৰ ধাৰে। ওৰে বেটা কালীয়া, কোলে গৈছিল তোৰ বিষ মাৰো ময় চালনীত ছালিয়া। ৰামৰ আজ্ঞা সীত বাণী। ঝাৰিলো বিষ কৰিলো পানী। ওৰে বিষ ধইয়া, কো আছ ৰইয়া। যিবেলা গোঁসায় মনুষ্যক গৈলা। জটৰ ভিত

পৰা সৰ্প বাজ হৈলা। ৰামে বোলে দেবী তয় না বান্ধিবি মোক। আচোলৰ ভিতৰত বিচল গাঁথি। বান্ধিলো ধৰণী আটি আটি। শুন শুন বিষগণ কঁও জনম জাতি। সমুদ্ৰ মথন্তে হলা উৎপত্তি। যেতিয়া কৰিলা হৰে সমুদ্ৰ মন্থন। তেতিয়া হল বিষ তোমাৰ জনম। গাণ্ডিত বাসুকি নাগে চাৰন্ত নিশ্বাস। ওৰে ওৰে কালকূট তয় হৈয়া স্ববাস। শূন্যতে হে হাটখানি শূন্যৰ পহাৰ। শূন্য মধ্যে কালকূট জনম তোমাৰ। শূন্যে বিষ ধালিলো যোগিনী কান্ধে বৰে। যি দি আছ বিষ যেইনৈ যাৰে। নিৰঞ্জন কল্পতৰু নিৰঞ্জন ক্বাম। থাপ্প দিয়া ঝাৰো বিষ ঘাৰ মুখে নাম। উঠৰে স্মৰে বিষ হৰিদ্ৰা বৰণ। পুথীয়া মন্ত্ৰে ঝাড়ো অমুকাৰ পৰাণ। ইয়াতে সাপে খোৱা জীব তোৰ নাম লব। আৰু ঘাৰ মুখত ফুক দিব। বিষ না নামে মানে এই দৰে ঝাড়ি থাকিব।

ঝাড়োতে ঝাড়োতে বিষ নামি ঘাৰ মুখত গোট হলে পুনৰাই টিপনী মন্ত্ৰে ঝাড়িব। মন্ত্ৰ—টিপনি ঝাড়ো টিপনি মাৰো। কালকূট বিষ পাণীকৃত কৰোঁ। থালে খোলে মানিকৰ ধাৰ মাৰিলো টিপনি অমুকাৰ বিষ নায় আৰ। তিনিবাৰ এই দৰে হাতেৰে টিপি ঝাড়িব।

বিষনাই কিয়া হলে পিছত আদা, লোন, চুণ আৰু মিলায় বটি ঘাৰ মুখত লগায় দিব॥ মানুহৰো এই দৰে ঝাড়িলে বিষ নহোৱা হয়।

## কাঠ আজনেই।

লক্ষণ:—গৰু মানুহৰ গাওত এক প্ৰকাৰ কাঠৰ নিচিনা

কঠিন ব্রণ হয়, চলিত কথায় কাঠ আজনেই বোলে—ই ৰোগত অন্য কোনো যন্ত্রণা নাই, কেবল দেখাত বেয়া দেখি আৰু অলপ খুজায়।

চিকিৎসা:—ধান উহাওয়া পাণীৰে তপত থাকোতে ব্রণ বোৰ ভালকৈ ধুই—তপত উহা ধান দ্বাৰা ঘঁহি ঘঁহি দিব। ৩।৪ দিন এনেকুৱা কৰিলে ভাল হব।

## ঘামৰেহি।

লক্ষণ:—গৰুৰ গাওত লোমৰ গোৰে গোৰে খৰৰ নিচিনা ব্রণ হয়, বৰকৈ খুজায়, লোমবোৰ ক্রমে উঠি জায়, দেখাত কুৰূপ হয়। ডাঙৰ গৰুতকৈ ডামৰি বোৰৰ এই ৰোগ বেছি দেখা জায়।

চিকিৎসা:—খলিহেই তপত পাণীত গুলি গাওত লিপি দিব, শুকালে তপত পাণীৰে ভালকৈ ধুই দিব। ৩।৪ দিন দিলে ভাল হব।

## চক্ষুৰ জাল।

লক্ষণ:—কেতিয়াবা গৰুৰ চকুৰ মণিৰ ওপৰত বগা পৰি উঠে, ভালকৈ নেদেখে, বেচি দিন হলে কণাও হয়।

চিকিৎসা:—ঢোলাৰ পাত ভালকৈ মল নোহোৱাকৈ ধুই ৰস উলিয়ায় চকুত দিলে ভাল হয়।

## লেটুকা লাগা।

লক্ষণ:—গৰুৰ চকুত লেটুকা লাগিলে প্রথমে চকুৰে বৰকৈ

তলো ওলাব ধৰে, চকু ৰঙ্গা হয়, খচখচায়, গতিকে মেলি থাকিব নোৱাৰে। তিনি চাৰি দিন পলমে লো কিছু কমহৈ কেতাৰে চকু ঢাকি ধৰে। ক্ৰমে মণিৰ ওপৰ থন বগা পৰি আকো নেদেখা হয়।

চিকিৎসা :—প্ৰথম অবস্থাতে চোকা তামাখুৰ ৰস কিম্বা তুলা টেঙ্গাৰ ৰস অথবা কেৰুন্দিয়া পোকাৰ ৰস উলিয়াই চকুত দিলে ভাল হয়। চকুৰ মনি বগা পৰিলে আকনৰ আঠা সাবধানে চকুৰ ভিতৰত নপৰাকৈ চকুৰ পিৰথিত লিপি দিব, আৰু তাপিলাত তিনি বাৰ মচি দিব, কিন্তু দিয়া সময়ত উশাহ লব নেলাগে, আৰু তিনি দিন চকু মেলি চাব নেলাগে, পাছত উপৰৰ জাল ফাটি উঠি যায়। কিন্তু দিওঁতে চকুত পৰিলে কণা হয়।

## পাগলা শিয়াল কুকুৰে কামোৰা।

লক্ষণ :—পাগলা শিয়াল বা কুকুৰে যদি গৰু বা মানুহক কামোৰে নাইবা নখেৰে আচোৰে, তেন্তে তৎক্ষণাৎ বিষ লাগি শৰীৰত কিছুমান বিজল উৎপন্ন হয়। পিছে সেই বিজলৰ পৰা দিমা হয় আৰু কিছুদিন পিছত সেই দিমাৰ পৰা চকৰি হয়। চকৰি হলে গৰুটোৱে কোনো ফালে একে থৰে চাই থাকে, অত্যন্ত চঞ্চল হয়, পাণীত সেই কামোৰা জন্তুৰ চেহেৰাটো দেখি বৰ ভয় পায়, গতিকে পাণীৰ ওচৰলৈ যাবই নোৱাৰে, কিন্তু জল ভয় উপস্থিত হলে চিকিৎসাৰ কোনো ফল নধৰে। তেতিয়া ৩।৪ দিনৰ ভিতৰতে মৰি যায়, এতেকে তেনেকুৱা

হলে চিকিৎসা নকৰিব। ইয়াৰ মৃত্যু সময়ৰ ঠিকনা আ
যেনে ৩ পক্ষ ৩ মাহ ৬ মাহ। এই বিষ এনে সংক্ৰামক
এনেকুৱা গাই গৰুৰ গাখীৰ খালেও এই ৰোগ উৎপ
হয়। সেই গৰুটী যে আনজীবক কামুৰিলে বা খুচিলে
এই ৰোগ হয়। গতিকে গৰুটী খুব সাবধানে ৰাখি
লাগে।

ঔষধ ঃ—থহথহিয়া লতাৰ শিয়াৰ আধা ছটাক, ফিটকি
দুই টোলা, দুইকো এক পোৱা তপত পাণীত মাৰি কিছুদি
খুবালে ভাল হয়। এই ঔষধ মানুহতো খাটে, কিন্তু তিনিবে
লগ কৰি এক টোলা পৰিমাণে খুৱাব। (পথ্যাপথ্যৰ নিয়
নাই)।

## ছবকা ৰোগ।

ই এক প্ৰকাৰ জ্বৰ বিশেষ, জ্বৰৰ লগতে মুখ ও ভৰিত ঘ
হয়, এই ৰোগ আপোনা আপোনি হয়। ছবকা লগা গৰু
সংসৰ্গতো হয়।

কাৰণ ঃ—অপৰিষ্কাৰ ঠাইত গৰু ৰাখিলে এই ৰোগ হ
বৰ গৰম হলেও এই ৰোগ হয়। এই ৰোগৰ এক প্ৰকাৰ বী
আছে, বতাহত অন্য ঠাইৰ পৰা আহি নাক মুখেদি ভিত
সোমাইও এই ৰোগ হয়। ই ভয়ানক সংক্ৰামক তৎক্ষণাৎ ব্যা
পৰে। বীজ ভিতৰ হোৱাৰ ৩৬ ঘণ্টাৰ ভিতৰত ৰোগ প্ৰক
হয়। ২৪ ঘণ্টাৰ পৰা ৩।৪ দিনৰ ভিতৰত এই ৰোগৰ বী
শৰীৰত স্থায়ী হয়।

লক্ষণ ঃ প্ৰথমে বৰ টোপনি ধৰি জ্বৰ উঠে; মুখ, মু

ৰি তপত হয়, মুখ চক্ চক্ কৰে ও মুখৰ পৰা লাল পৰে, পিছত মুখ, গা ও ভৰিৰ খুৰাৰ ভিতৰত ব্ৰণ হয়; কোনো কোনো গৰুৰ নাকৰ ভিতৰতো ব্ৰণ হয়। গাই গৰুৰ বাটতো ব্ৰণ হয়। এই বীজ ১৮।২৪ ঘণ্টাৰ ভিতৰত ফাটি ৰঙ্গা পৰে ও দুৰ্গন্ধ হয়। কোনো গৰুৰ এক ভৰিত, কোনোৰ দুই ভৰিত কোনোৰ চাৰিও ভৰিতে, কোনোৰ নাকত, কোনৰ মুখত কোনোৰ বা সকলে ঠাইতে ছবকা লাগে। মুখত লাগিলে ঘাঁহ খাব নোৱাৰে, ভৰিত লাগিলে খুৰা বোৰ ফাটে আৰু পিছত পোকা লাগে। আৰু ঠাইতকৈ জিভাৰ আগত বেছি ব্ৰণ হয়, কাৰো কাৰো জিভাৰ আগত দাতৰ গুৰিতো হয়। এই ৰোগ হোৱা গাইৰ গাখীৰ খালে মানুহৰ গাতো পূযযুক্ত খহু হয়। এই ৰোগত বসন্তৰ অনেক লক্ষণ দেখা যায়, কিন্তু ৰক্তামাশয় নহয়। এই ৰোগ চিকিৎসা কৰিলে শীঘ্ৰে ভাল হয়, আৰু এই ৰোগত গৰু প্ৰায়ে নমৰে।

চিকিৎসা:—গোয়ালি ঘৰ ভালকৈ পৰিষ্কাৰ কৰি ৰোগী গৰু বেলেগ এক ঘৰত বান্ধিব লাগে। গৰুৱে বতাহ পাবৰ সুবিধা কৰি দিব লাগে। ধূপ ধুনা কৰ্পূৰ গন্ধক প্ৰভৃতি সুগন্ধি বস্তুৰে ধোয়াঁ দিব। নাইবা কিছুমান আলকাতৰা ও ফেনিয়াল ঘৰটীত ছটিয়াই দিব। নিতৌ ২।৩ বাৰ তপত পাণীৰে ব্ৰণ ওলোৱা ঠাই বোৰ ধুই দিব। ভৰিত লাগিলে ২।৪ দিন কিছু সময় পাণীত বান্ধি ৰাখিলেও ঘা বোৰ পৰিষ্কাৰ হৈ শীঘ্ৰে আৰোগ্য হয়। শস্ত জোকে খাব নিদিব। আৰু তলত লিখা মলমটী প্ৰস্তুত কৰি লগাব। যেনে—কৰ্পূৰ এক ভাগ, তাৰ্পিন তেল সিকিভাগ,

মসিনাৰ তেল চাৰিভাগ এই সকলো মিহলাই ক্ষত স্থানত লগা
দিব। প্ৰতিদিন ৩।৪ বাৰকৈ ৩।৩ দিন দিব। কৰ্পূৰ দি বা
ৰাখিলে বিশেষ উপকাৰ হয়, পোক হব নোৱাৰে। কো
মতে পোক হলে উপৰত লিখা পোকৰ ঔষধ দিব (১) জ্ব
অধিক থাকিলে এই ঔষধ দিব যেনে:—দেশী মদ আধা ছটা
কৰ্পূৰ তিনি মহা, জখাৰ এক তোলা এক সেৰ চেচা পানী
মাৰি খুৱাব। (২) জখাৰ পাছ মহা, গুড় ডেড় ছটাক, লো
আটৈ তোলা, চিৰতাৰ গুড়া আটৈ তোলা, আধা সেৰ পানী
মাৰি খুৱাব।

পথ্য:—ভাতৰ মাৰ কোমল ঘাঁহ প্ৰভৃতি খুৱাব। কি
চাউল তিনি পোৱা পাছ সেৰ পাণীত ডেৰ ঘণ্টা সময় সিজা
চেচা হলে কাপোৰেৰে চেকি লৈ অলপ লোন আৰু এক ছটা
গুড় মিলাই দিনে দুই বাৰকৈ খুৱাব।

## চবকা প্ৰতিষেধক ঔষধ।

গোৱালিত ছবকা প্ৰবেশ নোহোৱাতে ভালুকৰ লোম আ
সিন্দূৰ লগ কৰি এৰিৰ চোকোলাত অভাবে কাপোৰত বা
গৰুৰ লেজত আৰাই দিলে ছবকা নালাগে। অথবা ব
কোমোৰা এটা গোৱালি ঘৰৰ দুৱাৰ মুখৰ ওপৰত আ
দিব। কিন্তু গোহালিত কোনো এটা গৰুৰ হলে দিয়াৰ ফ
নহয়।

## অহম ফোৰ।

গৰুৰ গাত ডাঙৰ ডাঙৰ কঠিন যিফোৰ হয় তাকে অহ

ফোৰ বোলে। শৰীৰৰ তেজ দূষিত হৈ এই ৰোগ হয়। বেছি
কৈ এই ৰোগ হলে গৰুৰ শেষত ভালুকা হয়। ইয়াক প্রায়
ভালুকাৰ পূর্ব্ব লক্ষণ বোলা যায়। ভালুকাৰ চিকিৎসা ওপৰত
জুৰিয়া হৈছে।

চিকিৎসা ঃ—অহম ফোৰ হলে প্রথমে অস্ত্র কৰি দূষিত তেজ
উলিয়াই দিব কিম্বা তলত লিখা মলম দি শীঘ্রে পকাই লব। আৰ
পকিলে লোহাৰ শলাৰে বিন্ধি পূয বাহিৰ কৰি পিছত শুকোৱ
ঔষধ দিব।

মলম ঃ—চজনা গছৰ ছাল ১ ভাগ আদা ১ ভাগ নুফুলা
হাটীশুৰীয়াৰ শিয়াৰ ১ ভাগ লতাগুটীৰ সাহ এক ভাগ সকলো
লগ কৰি ভালকৈ বটি অলপ তপতাই ফোৰৰ ওপৰত লেপ
দিলে ২।৩ দিনত ফোৰ পকি যায়। পকিলে লোহাৰ শলাৰে
ফুটাই এডাল কটা খুতুৰাৰ শিয়াৰত লোন মচি সেই ছিদ্রটীত
সোমাই খলে ভিতৰৰ পূয বোৰ উলিয়াই দিব। পিছত শুকোৱা
ঔষধ দিব যেনে ঃ—অৰ্জ্জুন গছৰ ছাল, নিম গছৰ ছাল, কুলা
হাটিশুৰীয়াৰ শিয়াৰ তিনিকো লগ কৰি বতি লেপ দিলে শুকা
যায়।

## মৌ, বোৰোল প্রভৃতিয়ে কামোৰা।

মৌ, বোৰোল, ভীমৰাজ প্রভৃতিয়ে গৰুক কামৰিলে প্রথমে
ঘুটাৰে শুং বোৰ উলিয়ায় ওলৰ পাত পুঁইশাকৰ পাত আৰু
হাটিশুৰীয়াৰ পাত বটি লেপ দিলে জ্বালা দূৰ হয়। অথবা
পাথৰ কলিয়া বটি দিলেও গুছে।

## ভগ্ন চিকিৎসা।

কোনো কাৰণে গৰুৰ কোনো অঙ্গ ভাঙ্গিলে নাইবা হাঠা উজালে প্ৰথমে ভাঙ্গা ঠাইত চেচা পাণী ঢালি পাছত ভালকৈ টানি ধৰি উভয় হাড়ৰ জোৰা মিল কৰিব। শেষত দুই খণ্ড মিহি কাঠেৰে চেপি ধৰি পতা বা কাপোৰেৰে এনেকৈ বান্ধিব যেন পুনৰ হাড় দুই খণ্ড বেলেগ হব নোৱাৰে। এনেকৈ বান্ধি তাৰ ওপৰত নিশাদল ও জখাৰ ভিজোৱা পাণী দি থাকিব। কিম্বা জাঙ্গলী ভাঙ্গৰ আগ, ধুতুৰাৰ আগ, পছতিয়াৰ আগ, দ্ৰোণ ফুলৰ আগ পচা কলৰ মধা সকলো লগ কৰি কলাথাৰৰ ফুটখাৰেৰে বটি অলপ তপতাই ৰস ঢালি দিব। নাইবা উপৰত লেপ দি কাপোৰেৰে বান্ধি দিব। ৫।৭ দিন পৰে খুলি পুনৰ ভাল নাহোৱালৈকে এই দৰে বান্ধি ৰাখিব। বান্ধাৰ অসুবিধা হলে লেপ দিব। হাৰ জোৰা লতাৰ দ্বাৰা ভাঙা থাই বান্ধিলেও ভাল হয়। মন্ত্ৰে জাৰিলেও উপকাৰ হয় (বিহঢেকীয়াৰ পাত তিনিতাৰে জাৰিব) মন্ত্ৰ—হীৰা মাটী কুমাৰৰ চাক, কটক ৰিয়াৰ বাঁহাত। সাঁকোৰ তলে বৰে পাণী, হাৰ মাংস থোৰে আনি। শ্ৰীৰামৰ আজ্ঞা সীতাৰ বৰ, যি ঠাইৰ হাৰ মাংস সি ঠাই চাপি ধৰ। তেজ চা পুয় কচা সাফত ভঙ্গা শিৰ বগৰা সকলো চাপি ধৰ। সিদ্ধ গুৰুৰ পাও ৰক্ষা কৰা কামৰূপৰ কামাখ্যা মাও॥ মুৰৰ খোলা বা হাড়ৰ মাজত ভাঙ্গিলে ভাল হয়।

সামৰণিত ইয়াকে কওঁ যে ঔষধ, মন্ত্র অতি গোপনীয় বস্তু। তাক গোপনে ব্যবহাৰ কৰিব লাগে আৰু মনত খুব বিশ্বাস ৰাখিব লাগে। বিশ্বাস নহলে কোনো ফল নহয়।

বিংশত্যাহে শ্রাবণস্য মাসস্য পক্ষে সিতে বাৰে বৃহস্পতৌ চ। চন্দ্রচক্ষুৰ্বহ্নিমুখাৰবিন্দে বঙ্গাব্দ্যাব্দে গো-চিকিৎসা সমাপ্তা।

গো-চিকিৎসা সমাপ্ত।